continuous interrogations in the Jail and his health is going down. As you know, he is suffering from Asthma and other ailments.

Sir, the two gentlemen who had been arrested yesterday should have been arrested long ago, and our information is that they are being tortured and are forced to make statements on threat to their lives. Sir, when the Lok Sabha Speaker can direct the Home Minister to make a statement in Lok Sabha on the basis of information to be supplied by Assam Govt. we would request you to direct the Home Minister here to make a similar statement so that we may know the position and the circumstances under which Shri Goswami was arrested and also his present health condition. We also want to know about the two persons who have been arrested and are being tortured to make a statement which will goagainst the interest of Shri Goswami and the entire opposition. I would, therefore, once again request you to direct the Home Minister to make statement in this House before a statement is made in the Lok Sabha.

শ্ৰীৰেনুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই মাত্ৰ কেইটামান কথা কবলৈ বিচাৰিছো। এই হুদিন ধৰি এই বিধান সভাতে একে কথাৰ ওপৰতে সভাস্থগিত প্ৰস্তাৱ আনিবলৈ বিচৰাও হৈছিল। কিন্তু এইটো কেন্দ্ৰীয় বিষয় বুলি এই সভাস্থগিত প্ৰস্তাৱ আনিবলৈ নিদিলে। আমাৱ অধ্যক্ষ মহোদয়ে যোৱা কালি ৰুলিং দিলে আৰু লোকসভাৰ সদনতো একে কথাই আলোচনা হৈছিল। লোকসভাত গৃহমন্ত্ৰীক এই বিষয়ে এটা ষ্টেটমেণ্ট দিবৰ কাৰণে অধ্যক্ষই নিৰ্দেশ দিছে।

ইতিমধ্যে জেইলৰ ভিতৰৰ পৰাও বহুতো বাতৰি পোৱা গৈছে। আপুনি জানে যে, মাৰ্ক্সিষ্ট নেতা শ্ৰীচাৰু মজুমদাৰৰ জেইলৰ ভিতৰতে মৃত্যু হয়। অহৰহ প্ৰশ্ন সুধি থকাৰ পিচত মৃত্যু হোৱা বুলি কৰ্তৃপক্ষই জনোৱাৰ পিছত ভাৰতবৰ্ষৰ বাইজৰ কৰিবলগীয়া একো নাছিল। আজি বিশ্ব গোস্বামীকো, যিজনে এজমা ৰেমাৰ ভুগি আছে সেইজন মানুহকো অযথা প্ৰশ্ন কৰি কৰি কষ্ট দিয়া হৈছে। আনকি তেখেতৰ প্ৰেচকিপচন খনো চিজ কৰি তেখেতক আৰু বেছি কষ্ট দিয়া হৈছে। ইয়াৰ বাহিৰেও তেখেতক ২ শ্ৰেণীৰ জেইলৰ ভিতৰত ৰখাৰ ব্যৱস্থা কৰিছে। ইয়াৰোপৰি আজিৰ বাতৰি কাকতত ওলাইছে যে, বৰপেটাৰ নিৰ্বাচনত থকা ২ জন নিৰপৰাধী মানুহক পুলিং অফিচাৰ আৰু ৰিটাৰনিং অফিচাৰ জনকো গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোককো নানা ৰকমে ইণ্টাৰগেট কৰা হৈছে। কিন্তু প্ৰিজাইদিং অফিচাৰ জন কাৰোবাৰ সম্পৰ্কীয় কাৰণে সাৰি গৈছে। গতিকে এই কথাৰ গুৰুত্ব উপলব্ধি কৰি অতি সোনকালে আমাক এটা বিবৃতি দিব লাগে।

Shri Syed Ahmed Ali—I think it is known to all of us the Parliamentary system in our country. Every House, Legislative Assembly or Parliament, has got its own rules. This House is also being guided by our own Rules, and in Parliament also it is guided by their own Rules. Now, Sir, if any point in the Rule is not available or not found on any matter that is raised in this House, and if it is not in this Rule book, in that case we make a reference to the Rule or convention followed in the Parliament. If the Rule is definite and specific on any issue raised in this House then we will follow that Rule and we are not to follow any convention followed in the Parliament. Sir, this particular matter was raised in this House twice before-once

some few days back by way of seeking permission to move an Adjournment Motion which at the very outset it was rejected by the Hon'ble Deputy Speaker, then again the day before yesterday one of our Hon'ble Members wanted to move another Adjournment Motion regarding this matter and after a serious debate the ruling had been given by your Honour rejecting permission. Again yesterday while you gave the ruling, the opposition. I do not say protesting against the ruling, but taking the plea of the ruling raised this matter again, and for half an hour there was heated discussion. The same matter is being repeated today. Sir, this matter cannot be allowed. and in support of it I am quoting from our own Rules. Rule 131 (3) reads like this: "In order that a motion may be admissible it shall satisfy the following conditions, namely, that (vi) it shall not revive discussion of a matter which has been discussed in the same session...."

Sir, this matter had been discussed thrice in this House. So under this Rule this matter cannot be raised again for discussion. Moreover, Sir, there is no motion before the House. Without giving notice of a motion it will not be a fit case to allow any further discussion or ask the Government to make any statement which had already been discussed and disposed of.

Mr. Speaker—Shir Dulal Chandra Barua and Smti. Renuka Devi Barkataki met me in my chamber this morning

and they expressed their anxiety over the health of Shri Biswa Goswami, and also referred to me to the ruling of the Lok Sabha Speaker asking the Government to make statement. When a similar point was raised here the Chief Minister stated that no statement can be given now as that may prejudice the case. That was very correct. Regarding the state of health of Shri Biswa Goswami they expressed their anxiety, they also stated that Shri Goswami is being tortured. I think that on matter of health of Shri Goswami and alleged torture on him the Government may make a statement.

Shri Hiteswar Saikia (Minister, Home)—Sir, no medicine had been seized from Shri Goswami, and we are equally anxious about his health and we are arranging special treatment for Shri Goswami. As regards torture, there is no question of any torture.

Shri Dulal Chandra Barua—Siri after the discussion about the ballot papers we the Members of this House have been troubled day and night by the Intelligence Department people. Sir, we want protection from you. Even my collegue Smti Renuka Devi Barkataki has not been spared at her residence. The Government could not detect anything about the ballot papers and so they are now troubling us; even our telephones are being tapped. Sir, is it not Police raj ?

Mr. Speaker—We will see to it.

Shri Hiteswar Saikia (Minister of Home)—Sir, no telephone has been tapped and no Hon'ble Member will be h arrassed.

## Business Adviory Committee Report

Mr. Speaker—Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 7th March, 1975 in my chamber at Dispur to finalise the time-table for Demands for Grants. The time-table as approved by the Committee is being circulated to the Hon'ble Members.

The Committee also decided to sit late hours on 25th March, 1975, to pass the Finance Bill which will be taken up after the Assam Appropriation Bill, 1975.

I hope this has the approval of the House.

( The House gave approval )

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৫ চনৰ ৮ জানুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ এনেকৈ চলিছে" শীৰ্ষক বাতৰিটোলৈ গৃহ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলোঁ।

Shri Chatra Sing Teron (Minister)—Mr. Speaker, Sir, in response to the Call Attention notice given by Smti Renuka Devi Barkataki, basing on the news item under the caption "দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ এনেকৈ চলিছে" published in the Dainik Asom of 8th January, 1975, I beg to state as follows :

In connection with another Calling Attention notice given by Shri Jugadish Das, M. L. A.

Shri Dulal Chandra Barua—Sir, a point of order. The Home Minister was to give the statement. The Minister Industries is not the Home Minister. অধ্যক্ষ মহোদয়,

পইণ্ট অব-অৰ্দাৰ চাৰ, গৃহমন্ত্ৰী বেলেগ আছেই, তথাপি মুখ্যমন্ত্ৰীয়ে উত্তৰ কিয় দিব লগা হৈছে ? মুখ্যমন্ত্ৰীয়েই গৃহমন্ত্ৰীৰ কাম চলাইছে নেকি ?

অধ্যক্ষ—মুখ্য মন্ত্ৰীয়ে সকলো মন্ত্ৰীৰে হৈ উত্তৰ দিব পাৰে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—চাৰ, চিফ মিনিষ্টাৰকে গৃহ মন্ত্ৰী হিচাবে ধৰিম নেকি নে মুখ্যমন্ত্ৰীৰ এটা অংশ গৃহমন্ত্ৰী বুলি ধৰিম যদি অন্য মন্ত্ৰী নেথাকে

Mr. Speaker—In the agenda it is under the name of the Chief Minister, and he is deputising on behalf of the Chief Minister.

Shri Dulal Chandra Barua—Sir, to speak on behalf of the Home Minister, did the Chief Minister obtain permission from you.

Mr. Speaker—As the Chief Minister he can speak on behalf of any Minister of his cabinet.

Smti Renuka Devi Barkataki—Sir, generally when we want to have a change in the agenda we are to write to you. So also a Minister is supposed to write to you for a change in the agenda.

Mr. Speaker—The Chief Minister had written to me that he would be away. The Chief Minister can represent any Minister.

Shri Chatra Sing Teron (Minister)—Sir, the matter relating to this Call Attention notice is mainly regarding the charges of corruption etc. which is being dealt with by the Chief Minister's Vigilance Cell, the Chief Minister thought it fit to reply to, this motion.

Shri Dulal Chandra Barua—Sir, just now the Minister has said that he is speaking on behalf of the Chief Minister and the Chief Minister is dealing with the Vigilance

cell. From the executive point of view the vigilance Cell has no locus standi—we only know about the Anti-Corruption Deptt. of the Govt. and the Home Minister is in charge of that Branch. When we are asking for certain clarification relating to Anti Corruption Deptt., it is the Home Minister who is to reply and not the Chief Minister and hence he is to reply.

Shri Hiteswar Saikia (Minister)—This news item as appeared in the paper relates to the Deptt. of Chief Minister and hence he is to reply.

Mr. Speaker—Chief Minister can reply about other departments also.

শ্ৰীচৈয়দ আহম্মদ আলি—বিষয় বস্তু কোনে দিল কৰে চাব লাগে।

শ্ৰীদুলাল বৰুৱা—বহুত নেগুৰ আছে, কোনে কি কৰে নাজানো।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—এটা স্পষ্টি কৰণ বিচাৰিছো যে এই ভিজিলেন্স চেল গঠন কৰাৰ পিচত আজিলৈকে কিমান কেচৰ তেওঁলোকে ফাইনেল ৰিপোৰ্ট দি কেচৰ সিদ্ধান্তলৈ আহিব পাৰিছে?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) ফাইনেল ৰিপোৰ্ট এতিয়ালৈকে কৰিব পৰা নাই। কেবল কিমান বিলাক কেচ দিটেক্ট কৰা হৈছে সেই কেচ বিলাক মোৰ ওচৰত আছে। এতিয়ালৈকে ৪৪ টা কেচ, দিপাৰ্টমেণ্টেল প্ৰচিডিংচৰ কাৰণে গৈছে কনক্লুচন হোৱা নাই।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—ভিজিলেন্স চেলে কোনো এজন বিষয়াক বৰ্খাস্ত কৰাৰ পিচত চৰকাৰৰ ফালৰ পৰা বেলেগ ধৰণে এনকুৱাৰী কৰা হয় নেকি?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) প্ৰাইমাফেচী কেচ এষ্টাব্লিচ হোৱাৰ পিচত স্বাভাবিকতে অফিচাৰ জনক বৰ্খাস্ত কৰা হয়। তাৰ পিচত গোটেই কাগজ পত্ৰ বিচৰাৰ কাৰণে এনেকুৱাৰীৰ আৱশ্যক হয় আৰু তেওঁক ফৰমেল চাৰ্জ দিয়া হয়। ফৰমেল প্ৰচিডিং ড্ৰ আপ কৰিবৰ কাৰণে অফিচাৰ নিযুক্ত কৰা হয়।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—ভিজিলেন্স চেলত দক্ষতা থকা কেইবাজনো

প্ৰশাসনীয় বিষয়া নিয়োগ হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানি বিচাৰিছো এই কেচ বিলাক দিচপউজ-আপ কৰিবৰ কাৰণে চেলৰ কিমান সময় লাগিব ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী)—মই আগতেই কৈছো যে কাগজ পত্ৰ কি কি আছে এই বিলাক চাব লগা হোৱাৰ কাৰণে সময় লয়। গতিকে কিমান সময়ৰ ভিতৰত এই বিলাক শেষ হ'ব কোৱাটো কঠিন। তথাপিতো যিমান দূৰ পাৰি সোনকালে কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—ভিজিলেন্স চেল কৰাৰ উদ্দেশ্য আছিল বিষয় সকলৰ গাফিলতিৰ দোষত কৰ্মচাৰী জন বৰ্খাস্ত কৰাৰ পিচত দোষী সাব্যস্ত কৰিবৰ কাৰণে ফাইনেল ৰিপোৰ্ট কৰোতে সাধাৰণতে চৰকাৰী মেচিনেৰীটোৰ সময় লাগে। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ নিজৰ অধীনত ভিজিলেন্স চেলগঠন কৰি সেই চেলৰ দ্বাৰা সেই কাম কৰিছে। এই ভিজিলেন্স চেল গঠন কৰাৰ পিচত আগতে দোষী সাব্যস্ত কৰোতে ফাইনেল ৰিপোৰ্ট দিয়াত যি অসুবিধা আছিল, সেই অসুবিধা দূৰীকৰণ হৈছে নে নাই নে কিবা আশা আছে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী)—ভিজিলেন্স চেলৰ প্ৰধান উদ্দেশ্য হল কেচটো দিটেক্ট কৰাটো, প্ৰচিডিংচ ড্ৰ আপ কৰি কনক্লুদ কৰাৰ কথাটো নাজানো বেলেগে দিপাৰ্টমেণ্টেল মেছিনেৰীৰ যোগেদি কৰা হয়। আৱশ্যকীয় প্ৰচিডিউৰ এৰাই যোৱাটো সম্ভৱপৰ নহয়। তাৰ কাৰণে অনেক সময়ত পলম হয়। এইটো খৰতকীয়া কৰিবৰ কাৰণে চেষ্টা কৰিছো।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—ভিজিলেন্স চেল কৰাৰ পিচত পুৰণি পদ্ধতি অৰ্থাৎ দিপাৰ্টমেণ্টেল প্ৰচিডিংচ ড্ৰ কৰা পদ্ধতিটো সলনি হৈছে নে আগৰ ভাগেই আছে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী)—কেচ বিলাক যাতে সোনকালে দিটেকচন হয় তাৰ কাৰণে ভিজিলেন্স চেলৰ ব্যৱস্থা কৰা হৈছে। দিপাৰ্টমেণ্টেল প্ৰচিডিংচ ড্ৰ কৰাৰ ক্ষেত্ৰত আগৰ পদ্ধতি আছে। কেনেকৈ সোনকালে দিচপউজ আপ কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰি আছো।

শ্ৰীদুলাল বৰুৱা—আমাৰ অসমীয়াত চিৰাচৰিত এটা প্ৰভাৱ আছে—"নাখাও

তাই হাতে ভাত, ঘূৰি ঘূৰি তাইতেহে হাত।" ভিজিলেন্স চেলৰ উদ্দেশ্য ব্যাখ্যা কৰোতে মুখ্যমন্ত্ৰীয়ে কৈছিল দুৰ্নীতি পৰায়ণ লোক সকলক ধৰিব লাগে, বিচাৰ বিলাক সোনকালে হব লাগে। এটি কৰাপচন বিভাগে ঠিকমতে সময়ত কাম নকৰে, মানুহ অৱসৰ হৈ যায় কেচ বিলাক নিচিগে। এতিয়া দেখা পাইছো দুৰ্নীতি গুচোৱা দুৰ্নীতি পৰায়ণ হৈ পৰিছে। চেল কৰাৰ সময়ত ঢোল কোবালে দুৰ্নীতি ধৰিব লাগে। কালি পৰহি পুৰণি এজন সদস্যই কলে যে মহম্মদ টোগলক ভাল ৰজা আছিল। তাৰ মানে তেখেতে শ্ৰীশৰৎ সিংহক ভাল ৰজা বুলি কব বিচাৰিছে। চুৰ চুৰ বুলি চিঞৰি থাকি জেললৈ বা ফাচী কাঠলৈ নপঠোৱাৰ কিবা নৈতিক অধিকাৰ আছে নেকি? ঘূৰি ঘূৰি ভিজিলেন্স চেলত যাব। এই চেললৈ আমাৰ ৰাজ কোষৰ পৰা ধন গৈ আছে আনহাতে কাম হোৱা নাই। এইদৰে ভিজিলেন্স চেল চলি থাকোতে শ্ৰীশৰৎ সিংহ মন্ত্ৰী সভা সময়ত কাটি যাব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ভিজিলেন্স চেলক এই কেচ বিলাক দিটেক্ট কৰি ইমান দিন বা ছয় মাহৰ ভিতৰত শেষ কৰিব লাগে এনেকুৱা সময় বান্ধি দিয়া আছে নেকি? ভিজিলেন্স চেলে কেচ ধৰিছে ৪৪ টা তাৰ ভিতৰত এটা কৰিব পাৰিছে। আনহাতে চি, বি, আই কেচ আছে, লোক সকল বৰ্খাস্ত হৈ আছে আৰু আমাৰ ভগ্ন ৰাজকোষৰ পৰা ধন গৈ আছে। চৰকাৰে চাৰিও ফালে ঢোল কোবাই থাকিব নে দুৰ্নীতি নিৰাকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লব? যি বিষয়া দোষী তেওঁক শাস্তি দিব লাগে আৰু যি দোষী নহয় তেওঁক এৰি দিব লাগে। চুৰ বদমাচ, সমাজৰ অপকাৰ কাম কৰা মানুহক শাস্তি দিব লাগে। নীতি গত ভাবে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত এনেকৈ অবিচাৰ কিছুমান ঘূৰাই মাৰি দুৰ্নীতি আতৰ কৰিম বুলি ঢোল কোবোৱাৰ অৰ্থ কি?

Shri Chatrasing Teron (Minister)—Mr Speaker Sir, I beg to lay before the House the following statement in connection with the Calling Attention Notice given by Srimati Renuka Devi Barkataki, M. L. A. on the basis

of the news item "দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ এনেকৈহে চলিছে" published on 8.1.75 in the Dainik Asom.

In connection with another Calling Attention Notice given by the Hon'ble Member Shri Jagadish Chandra Das M. L. A. on 12.2.75 with regard to some of the issues raised in the above news item, full account was furnished as to what the Special Vigilance Cell has so far been able to do in dealing with the problem of corruption. A statement indicating the action so far taken against officers and staff of various Departments on reports of the Vigilance Cell attached to the Chief Minister has also been laid on the table of the House in connection with the starred question No. 42 asked by Shri Dulal Chandra Barua, M. L. A. on 11.2.75. It is felt that the actual position in respect of the work of the vigilance cell and action taken on the report of the cell has already been duly clarified and hardly anything further remains to be stated.

Charges are furnished as expenditiously as possible after officers are suspended and formal departmental proceedings are also pursued with due care and speed. Although enquiries in some cases take longer than anticipated, it is in most cases due to reasons beyond control as very elaborate examination of voluminous records and documents often becomes necessary. Then charged officers have also to be given every possible opportunity to defend themselves.

There is no question of hushing up any case or

cases in which persons involved may happen to be close to any leader or high authority. Cases are dealt with strictly on merit and appropriate action taken as may be warranted by the facts and circumstances of a case. We are not aware of any files or documents relating to vigilance cases being untraced or lost. Although additional expenditure has to be incurred in providing for the performance of duties of posts held by officers placed under suspension in vigilance cases, every possible effort is being made to minimise such expenditure by expeditious disposal of departmental proceedings.

There can be no question of any innocent officer's clearance being unduly delayed and of any guilty person being given protection on political considerations. The Govt. is not aware of any person charged in a vigilance case, securing central intervention for his benefit. The report relating to some influential person moving about daily at Dispur to plead on behalf of accused officers is also without basis.

It has been Govt's earnest endeavour to deal expenditiously with all case involving corruption or malpractice subject to full examination strictly on merit in the intrest of justeice and fair play.

( At 11.20 a. m. Mr. Speaker vacated the Chair and occupied by Mr. Deputy Speaker )

শ্ৰীছত্ৰসিং টেৰণ – চাৰ, এই ভিজিলেন্স চেলৰ মুখ্য উদ্দেশ্য সম্বন্ধে মই আগতেই কৈ গৈছো যে এইটো প্ৰচিদিংচ ড্ৰ কৰাৰ কথা নহয়, ডিটেক্ট কৰাৰ কথাহে, ডিটেক্ট কৰাৰ পিচত কেচবিলাক আছে। দ্বিতীয়তে এইটো ক্ষেত্ৰত

দূৰ্ভাগ্য বশতঃ যিটো আগৰ ব্যৱস্থা আছে সেইটো এতিয়া আমি পালি যাবলৈ বাধ্য হৈ আছো, অৱশ্যে মাননীয় সদস্যই উদ্বেগ প্ৰকাশ কৰিছে যে খৰটকীয়া নোহোৱাৰ কাৰণে এফালেদি চৰকাৰী ধনৰ অপচয় হৈ আছে। লগে লগে এই অফিচাৰ সকলে মানসিক কষ্ট ভোগ কৰিব লগীয়া হৈছে। এই কথাটো আমি সম্পূৰ্ণৰূপে অনুভৱ কৰিছো আৰু আমি সদায় এটা চেষ্টা কৰিছো যে কেনেকৈ খৰটকীয়া ব্যৱস্থাৰে এই-বিলাক কেচৰ পৰিসমাপ্তি ঘটাব পৰা যায়। অসুবিধাও নথকা নহয়, তেওঁলোকে যদি নিজেই দীঘলীয়া দিব বিচাৰে তেন্তে আমি অস্বীকাৰ কৰিব নোৱাৰো। এই সকলোবিলাক কথাৰ কাৰণে দেৰী হয়। মাননীয় সদস্যৰ লগত ময়ো একমত যে যিমান পৰা যায় সিমান সোনকালে খৰটকীয়া ব্যৱস্থাৰে এই কাম কৰিব লাগিব বুলি আমি ভাবো।

শ্ৰীমানবেন্দ্ৰ শৰ্মা—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ডিটেকচনৰ প্ৰচেচ স্পীদ আপ কৰিবৰ কাৰণে এই ভিজিলেন্স চেল কৰা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে কি যে কোনটো ষ্টেজলৈকে এই চেলে কাম কৰে ? এই ক্ষেত্ৰত দেখা গৈছে যে ভিজিলেন্স চেলৰ পৰা কাগজ খন অহা দেৰী হোৱাৰ কাৰণে পিচৰ যি খিনি কাম যেনে চাচপেণ্ড কৰা বা তেনে কোনো কাম কৰিব পৰা নহয়। দ্বিতীয় কথাহৈছে এন্টি কৰাপচন ব্ৰাঞ্চটো চৰকাৰে চলাই থকাৰ কাৰণে বহুত টকা খৰচ হৈ আছে, তাৰোপৰি এই ক্ষেত্ৰত এটা কথা দেখা যায় যে এন্টিকৰাপচন বিভাগে অনুসন্ধান কৰোতে এইবিলাকৰ অজুহাত দেখুৱাই পলম কৰাৰ ফলত আমাৰ কৰ্মচাৰী সকলে বহুতদিন কষ্ট ভোগ কৰিব লগা হয়, ভিজিলেন্স চেলতো সেই একে ব্যৱস্থা ৰখা হৈছে। সেইকাৰণে মই জানিব বিচাৰিছো যে তৎকালীন ব্যৱস্থাৰে এই কামবিলাক দ্ৰুত গতিৰে কৰাটো চৰকাৰে চিন্তা কৰিব নোৱাৰে নে ?

শ্ৰীছত্ৰসিং টেৰণ—সেইটো চেষ্টা আমি কৰিছো, কিন্তু কিছুমান অপৰিহাৰ্য্য পৰ্য্যায় আছে যিবিলাক এৰাই যোৱাটো সম্ভৱ নহয়, তথাপি খৰটকীয়া কৰিবৰ কাৰণে আমি চেষ্টা কৰিম।

শ্রীমানবেন্দ্র শৰ্মা—অধ্যক্ষ মহোদয়, আমাৰ ভিজিলেন্স চেলে যিবিলাক অনুসন্ধান কৰিছে সেইবিলাকৰ বেছি ভাগেই হেণ্ডৰাইটিং এক্সপাৰ্টৰ কাৰণে পেন্দিং হৈ থাকে। আমাৰ ইয়াত তেনেকুৱা অনুষ্ঠান নোহোৱাৰ কাৰণে বাহিৰলৈ পঠিয়াব লগীয়া হয় আৰু বাহিৰৰ পৰা তাৰ ৰিপৰ্টতো অনাৰ বাবে স্পীদ আপ কৰিব নোৱাৰো, গতিকে হেণ্ডৰাইটিং এক্সপাৰ্টৰ বিভাগটো অসমত খুলিবৰ কাৰণে কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নে নাইবা কৰিব নোৱাৰে নে ?

শ্ৰীছত্ৰসিং টেৰণ—অধ্যক্ষ মহোদয়, সেইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—উপাধ্যক্ষ মহোদয়, "মুখ্যমন্ত্ৰী মহোদয়ৰ আদেশো পালিত নহয়" এই কথাটো উল্লেখ কৰিবলৈ গৈ মই কেইটামান কথা উল্লেখ কৰিব খুজিছো। আপুনি জানে উপাধ্যক্ষ মহোদয়, গণতান্ত্ৰিক ভাবে যদি দেশখন চলাব লগা হয় তেন্তে মুখ্য মন্ত্ৰীয়েই হৈছে এখন ৰাজ্যৰ গুৰিয়াল আৰু তেওঁক সহায় কৰিবলৈ এখন মন্ত্ৰী সভা আৰু তাৰ তলতে বিভাগীয় অফিছবিলাক থাকে। প্ৰশাসনীয় যন্ত্ৰৰ ভিতৰত চি, এম, চেক্ৰেটেৰীয়াত আৰু তাৰ পিচতে ডিৰেক্টৰেট যন্ত্ৰবিলাক থাকে সাধাৰণ ৰাইজ বা মানুহ এজন যদি কিবা কাৰণে কিবা প্ৰাপ্যৰ পৰা বঞ্চিত হয় তেন্তে অফিচৰ ফালৰ পৰা গৈ গৈ যেতিয়া কোনো উপায় নোহোৱা হয় তেতিয়া বিভাগীয় মন্ত্ৰীৰ ওচৰত আবেদন কৰে আৰু যেতিয়া বিভাগীয় মন্ত্ৰীৰ পৰাও কোনো কাম নহয় তেতিয়া মুখ্য মন্ত্ৰীৰ ওচৰ চাপে আৰু আবেদন নিবেদন কৰে, কাৰণ তেখেতেই হৈছে চুপ্ৰিম অথ-ৰিটি আৰু তেখেতৰ ওচৰ চপাতো স্বাভাৱিক। এই হিচাবে প্ৰশাসন যন্ত্ৰ চলি আছে আৰু গণ তান্ত্ৰিক ভাবে চৰকাৰ চলি আছে। কিন্তু দুখৰ কথা যে গণতান্ত্ৰিক নিয়মৰ যিকোনো তৰফৰ পৰা যদি নিয়ম মানি চলা নহয় তেন্তে এই শাসন যন্ত্ৰটো এটা দূৰ্নীতিগ্ৰস্ত যন্ত্ৰ হয়। তাৰে কেইটামান উদাহৰণ মই দিব খুজিছো। ১৯৭৩ চনৰ অক্টোবৰ মাহত ধুবুৰিত যেতিয়া দুৰ্ভিক্ষ হৈছিল তেতিয়া আমি মুখ্য মন্ত্ৰীক নানা ৰকমে ৰিপ্ৰেজেণ্টেচন দিছিলো যে তিনি অক্টোবৰৰ আগে পাচে (অন অৰ বিফৰ) পাচ হেজাৰ কুইণ্টল চাউল পঠাব লাগে কিন্তু পাচ হেজাৰ কুইণ্টলৰ

দূৰৰ কথা তুশ কুইন্টল চাউলহে মাত্ৰ চাবি মাহৰ ভিতৰত পঠালে। এইটো কোনো ৰকমৰ সন্তোষ জনক কথা নহয় বা হব নোৱাৰে যাৰ ফলত অলেখ মানুহ ত্যত মৰি আছে, এই কথা চৰকাৰে স্বীকাৰ নকৰে কিন্তু নকৰিলেও কোনো উপাই নাই।

উপাধ্যক্ষ মহোদয়, ১৯৭৩ চনৰ অক্টোবৰ মাহতেই অৰ্ডাৰ দিয়া হল কিন্তু সেই কথা মতে খাদ্য বস্তু পোৱা নাই, আমি জানো খাদ্যৰ কাৰণেও প্ৰধান মন্ত্ৰীক ধৰিবলৈ লাগিবগৈ। গতিকে কোন ঠাইত কি অসুবিধা হৈছে সেইটো ইয়াৰ পৰাই চাব লাগিব। প্ৰশাসন যন্ত্ৰটো সংশোধন কৰিবলৈ কিবা ব্যৱস্থা কৰিব লাগে কিয়নো সৰ্ব্বসাধাৰণ ৰাইজক এই প্ৰশাসনেৰে চলোৱাহৈছে আৰু খাদ্যৰ অভাৱত যাতে মানুহ মৰিবলগীয়া নহয়, সেইটো লক্ষ্য কৰিব লাগে। মই নিজেই দৌৰাদৌৰি কৰিলো কিন্তু কোন কোন এজেন্সি নিয়োগ কৰিছিল তাকো বিচাৰি চাইছিলো যাতে ঠিক মতে খাদ্যৰ বস্তুখিনি যোগান ধৰিব পৰা হয়। সেই কাৰণতে মই ১৯৭৪ চনৰ অক্টোবৰ মাহত অনশন কৰিছিলো ধুবুৰী মহকুমাত খাদ্য যোগান পৰিস্থিতিৰ কাৰণে বিশেষ অনুৰোধ আৰু আশ্বাস মাননীয় সদস্য ভালেকেইজনৰ পৰা আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ পৰাও সেই একে আশ্বাসকে পাই মই অনশন ভঙ্গ কৰিছিলো। কিন্তু মুখ্যমন্ত্ৰীৰ পৰা লিখিত ভাৱে দিয়া পোন্ধৰ অক্টোবৰৰ অৰ্ডাৰ আউট কৰি কিমান খিনি কৰিলে সেইটোৰ এটা উদাহৰণ মই সদনত দাঙি ধৰিব বিচাৰিছো। পোন্ধৰ অক্টোবৰৰ পঞ্চল্লিশ হাজাৰ টন খাদ্য বস্তু যোৱাৰ মাষ্ট অৰ্ডাৰ হ'ল কিন্তু তাৰ ঠাইত গ'লগৈ মাত্ৰ চব্বিশ হাজাৰ টন।

Dr. Lutfur Rahman (Minister)—Sir, If you go through the Supplementary note.

অধ্যক্ষ—অধ্যক্ষৰ ফালৰ পৰা মাননীয় সদস্য গৰাকীক চাবজেক্ট মেটাৰলৈ আহিবলৈ কোৱা হ'ল।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মই ৰেফাৰেন্স ড্ৰ কৰিছো মাত্ৰ। গোলোকগঞ্জত পাৰ ঘাটৰো সেই অৱস্থা। মুখ্যমন্ত্ৰীয়ে এক্সিকিউটিভ ইঞ্জিনিয়াৰলৈ লিখিলে যে ৰাতি বহু হোৱালৈকে পাৰ কৰাৰ ব্যৱস্থা হব লাগে। আৰু সেই

মৰ্মে মুখ্যমন্ত্ৰীয়ে অৰ্ডাৰ কৈ থৈ আহিলে যে ৰাতি আঠ বজালৈকে পাৰ ঘাট চলিব। কিন্তু পিচত আৰু এজন অফিচৰ গ'ল আৰু তেওঁ কৰিলে সাত বজাৰ পৰা। এতিয়া কিন্তু ছয় বজালৈকেহে পাৰ ঘাট ফেৰী চলি থাকে। মুখ্যমন্ত্ৰী যোৱাৰ আগতে সাত বজালৈকে চলিছিল আৰু এতিয়া ছয় বজালৈকে চলে। ইয়াৰ পৰা সাধাৰণ গাওঁৰ মানুহৰ এটা ধাৰণা হৈছে যে মুখ্যমন্ত্ৰীৰ অৰ্ডাৰৰ কোনো মূল্যই নাই। আৰু এটা ঘটনাৰ কথা কব বিচাৰিছো।

উপাধ্যক্ষ—আপুনি বিষয়বস্তুলৈ আহক।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী– আগতে এনেকুৱা ঘটনা বহুত ঘটি আছিল কিন্তু এতিয়া ঘটনা ঘটি ঘটি একেবাৰে চৰম অৱস্থা হৈছেহি। সেই কাৰণে মই এটা বিষয় উত্থাপন কৰিছো। এইটো কথা ঠিক যে লিখিত ভাৱে দহ হাজাৰ কুইন্টলৰ অৰ্ডাৰ দিলে সাত হাজাৰ কুইন্টল গল, পাবলিক নাখাই মৰিছে সেইটোয়েই কথা নহয়। আমাৰ এই প্ৰশাসনীয় যন্ত্ৰটোয়েই এটা অত্যাচাৰ্য্য বস্তু হৈ পৰিছে। যি প্ৰশাসন চলি আছে সেই প্ৰশাসনৰ দ্বাৰা সমাজবাদী ৰাষ্ট্ৰ গঠন যিটো পলিচি চৰকাৰে লৈছে সেইটো কংগ্ৰেছ দলে মুখেৰে কলেও কামত কিন্তু নহয়। যদি যন্ত্ৰটোৰ ভিতৰত থকা দুৰ্নীতি বিলাক আতৰাৰ পৰা নহয়, ডিচ্‌বিগাৰ্ড বিলাক আতৰাৰ পৰা নহয় তেতিয়াহলে মন্ত্ৰী সকলে একো কৰিব নোৱাৰিব।

উপাধ্যক্ষ মহোদয়, ১৯৭৩ চনৰ ১৯ নবেম্বৰ মাহত দিয়া চিঠিৰ কথালৈ আহো। চিঠিত দিয়া হৈছিল এই বুলি ? To the Chief Scer-etary to the Govt. of Assam, Dispur, Subject ; Non compliance of Govt. order.

তাৰ পিচত অক্টোবৰত ভেটেৰিনাৰী চেক্ৰেটাৰীৰ ৰেফাৰেন্স হল। অৰ্ডাৰ দিলে হয় কিন্তু—

That was not carried out by the Govt. I am to inform you that at the intervention of the Chief Minister on 30th September in the presence of the Secretary, Veterinary Deptt. and his letter of 2nd October,

1974 the transfer of State Laboratory Officer, V.A.S., Technical Assistant, Animal Health Centre were stayed. To my utter surprise I have learnt even after the issue of stay order these officers are harassed by the Veterinary Deptt. by not giving the charges and pay etc. to those officers for several months. Therefore I would request you to take immediate action in this matter. In this connection I request you also to take drastic action against those officers........ order of the Chief Minister to fulfil their self interest and evil design. —Copy to hon'ble Minister Veterinary and Chief Minister.

কেইবা মাহ ধৰি দৰমহা পৰ্য্যন্ত বন্ধ কৰি ৰখা হৈছে।

এইটো লিখা হৈছিল যে অফিচাৰ সকলৰ এটা এচোচিয়েচন কৰা হৈছিল আৰু যদিও চৰকাৰৰ পৰা ৰিকগনাইজ কৰা নাছিল পেণ্ডিং লিষ্টত আছিল। হয়তো হব। আৰু এচোচিয়েচনৰ সভাপতি হিচাবে দুজন মানুহ আছিল। সহায় কৰি দিবলৈ বুলি আৰু ক'লে যে তেওঁলোকক হেৰাচ কৰা হৈছে। মই কপি টু মিনিষ্টাৰ ভেটেৰিনাৰী আৰু কপি টু চিফ মিনিষ্টাৰ ফৰ ইনফৰমেচন এখন চিঠি দিলো। এইটো কথা অলপ বিতং কৈ কৈছো যে কেনেকৈ এইটো হেৰাচ কৰা হৈছে। এজন তলখাপৰ মানুহ।

ট্ৰেন্সফাৰ টু ওডালগুৰি

ইয়াৰ পৰা কলে যে ৰিলিজ হল।

আকৌ দুমাহৰ কাৰণে ষ্টে হ'ল।

অৰ্ডাৰ হয়, ষ্টে হয়, ভেকেণ্ট হয়। এনেদৰে কেইবাবাৰো হ'ল। তিনিবাৰ চাৰিবাৰ মান হ'ল। কাৰোবাৰ অলপ পাৰ্চনেল অসুবিধা থাকিব পাৰে এইটো একো অস্বাভাৱিক নহয়। এইটো হায়াৰ অথৰিটীয়ে

চাৰ লাগে। কিন্তু তাৰ পিচত Since the his pay being held up without assigniny any reason by the Govt.

শ্ৰীগানবেন্দ্ৰ শৰ্ম্মা—মই জানিব বিচাৰিছো চিফ মিনিষ্টাৰেও অৰ্ডাৰ দিছিল নোক ?

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—চিফ মিনিষ্টাৰৰ অৰ্ডাৰলৈ আহি আছো। মই লাইনে লাইনে আহি আছো। আগতে এনোমেলি বিলাক কৈ আহিছো। ২৯-৭ তাৰিখে ভেকেট হল। The Chief Minister's stay order until further order vide letter from the Secretary, Veterinary on 9th.

উপাধ্যক্ষ মহোদয়, চীফ মিনিষ্টাৰে অৰ্ডাৰ দিলে দুই অক্টোবৰ তাৰিখে এইটো গৈ পালে ৯ অক্টোবৰ তাৰিখে আৰু এবাৰ তাৰিখত জইন কৰিব লাগে বুলি জইনিং অৰ্ডাৰ দিয়া হল কিন্তু চেক্ৰেটাৰীয়ে কমিনিকেট কৰা সেই জইনিং অৰ্ডাৰ পোৱাৰ পিচত জিলাৰ বিষয়াই জইন কৰিবলৈ নিদি সেই অৰ্ডাৰ দলিয়াই দিলে। এই বিলাক কথাই বৰ্ত্তমান চলি আছে।

তাৰ পাচত তেওঁক জইন কৰিব নিদি বেলেগ এজনক জইন কৰিব দিলে। কিন্তু বৰ দুখৰ কথা যে, মুখ্য মন্ত্ৰীৰ অৰ্ডাৰ টোৱো দলিয়াই দিলে। অফিচাৰজনে ৫-৬ মাহ দৰমহা পোৱা নাছিল। এজন অফিচাৰে যদি ওপৰৰ অফিচাৰ জনৰ যদি কোনো সহানুভূতিয়েই নাপায় তেতিয়া হলে অফিচাৰ জন তেওঁৰ ন্যাৰ্য্য স্বত্বটো বজাই ৰাখিবৰ কাৰণে মন্ত্ৰীৰ ওচৰলৈ আহি মুখ্যমন্ত্ৰীৰ পৰা এটা অৰ্ডাৰ লৈ গৈছে কিন্তু এইটো এটা আচৰিত কথা যে মন্ত্ৰীৰ অৰ্ডাৰটো কোনো এজন অফিচাৰে দলিয়াই দিব পাৰেনে ? এনেকুৱাই যদি ঘটি থাকে তেন্তে শাসনযন্ত্ৰত কোনখিনিত নিয়ানুবৰ্ত্তিতা থাকিল। গতিকে আপুনিও উপলব্ধি কৰিব যে এই শাসন যন্ত্ৰটো পচি গৈছে। এনেকুৱা কিছুমান মানুহ যদি এই শাসন যন্ত্ৰত থাকে তেনেহলে এই শাসন যন্ত্ৰ ভাল হব নোৱাৰে। এতিয়া ৰাইজৰ কথা বাদেই এই শাসন যন্ত্ৰৰ অফিচাৰ জনেও যদি কোনো সহানুভূতি নেদেখুৱাই ! তেওঁৰো যে কিবা ল'ৰা ছোৱালী আছে সেই বিষয়ে নাভাবেই। গতিকে এই শাসন যন্ত্ৰটো একেবাৰে দুৰ্নীতি গ্ৰস্ত হৈছে। আৰু সোন-

কালে যদি ইয়াক সংস্কাৰ কৰা দিহা কৰা নহয় তেনেহলে সকলো বিলা তললৈ যাব। কালি কংগ্ৰেছৰ সদস্য এজনে কৈছে যে এজন গড়কাপ্তানি বিভাগৰ ওভাৰচিয়াৰ এজনে সাহসেৰে কৈছে যে মন্ত্ৰী মোৰ পকেট আছে। এই ক্ষেত্ৰত এজন অফিচাৰে মুখ্যমন্ত্ৰীৰ অৰ্ডাৰ দলিয়াই দি ইয়াৰ অৰ্থ এইটোৱেই নহয় নে যে এই দূৰ্নীতি পৰায়ন অফিচাৰ সক মন্ত্ৰী সকলৰ লগত জড়িত আছে? গতিকে সাধাৰণ ৰাইজৰ দুৰ্দশা সীমা নোহোৱা হৈছে। এনে ধৰণৰ দুৰ্নিতিৰ ফলত কোনো চৰকাৰ পলিচি কাৰ্য্যকৰি নহয়। অৱশ্যে আজি ইয়াত মুখ্যমন্ত্ৰী উপস্থি নাই, তেওঁ লোকৰ চকুৰ আগতে শীৰ্ষ স্থানীয় প্ৰসাশন যন্ত্ৰটো দূনিতি গ্ৰস্ত হৈছে। আৰু এই অফিচাৰ সকলেই একছত্ৰি ভাবে শাসন যন্ত্ৰটো চলাই আছে। ইয়াৰ পৰা যদি মন্ত্ৰীৰ অৰ্ডাৰ এটা আন ঠাইলৈ পঠি য়াব লগা হয় তেন্তে সেই অৰ্ডাৰ এক মাহতো লক্ষ্য স্থান নাপায় কিন্তু বদলিৰ অৰ্ডাৰ যদি হয় তেন্তে ১০ বজাৰ অৰ্ডাৰটো এক বজাতেই পাই যায়। কিন্তু মোৰ বোধেৰে কোনো একচন লব লাগিলে মন্ত্ৰী সকলে লব লাগিব আমি ৰাইজৰ প্ৰতিনিধি হিচাবে কেবল দোষ গুণ উন্নুকিয়াই দিব হে পাৰো। আজি পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰী শ্ৰীসিদ্ধাৰ্থ শঙ্কৰ ৰায়ে কৈছে যে তেওঁ দূৰ্নিতি মূক্ত অৱশ্যে আমি নাজানো, তেওঁৰ গৰ্ব্বৰ সত্যতা কিমান, তথাপি তেওঁ নিজক দূৰ্নিতি মূক্ত বুলি কব পাৰিছে। কিন্তু আজি আমাৰ এজন মন্ত্ৰীয়ে দূৰ্নীতি মুক্ত বুলি কব পাৰে নে? ভোগ চাউলৰ ভাত ৰান্ধিব বিচাৰিছে কিন্তু হাত লেতেৰা, গতিকে ভোগ চাউলৰ ভাত ৰান্ধিলেও সি বিষাক্ত হৈ গৈছে। গতিকে ইয়াত গণতন্ত্ৰৰ ভূৱা দি অগণতান্ত্ৰিক কাম বিলাক নিৰ্ব্বিকাৰে কৰি গৈছে গতিকে এই ভুৱা বেছি দিন টিকিব নোৱাৰে। ফাকি প্ৰৱঞ্চনাৰ ওপৰত গণতন্ত্ৰ বৰ্তি থাকিব নোৱাৰে। মহোদয়, এই বদলিৰ অৰ্ডাৰটো ডেপুটি চেক্ৰেটাৰীৰ লোক জনে টাইপিষ্টৰ ওচৰত নিজে বহি টাইপ কৰাই সেই মূহূৰ্ত্ততে পঠিয়াই দিছে। এই টোৱেই নুবুজায় নে যে এই বিষয়টোত তেওঁৰ কিবা স্বাৰ্থ জৰিত আছে? মহোদয়, আমি গণতন্ত্ৰৰ পথেৰে শাসন যন্ত্ৰটোক আমি শুদ্ধ কৰিব বিচাৰো কিন্তু এইটো বৰ আচৰিত কথা যে এজন মুখ্যমন্ত্ৰীৰ অৰ্ডাৰ তলৰ এজন

অফিচাৰে অমান্য কৰে। এইটো কি গণতন্ত্ৰৰ চানেকি ? সেই কাৰণে মই এইখিনিকেই অনুৰোধ কৰো যাতে অচিৰে এই গণতান্ত্ৰিক প্ৰসাশন যন্ত্ৰটো নিকা আৰু শুদ্ধ কৰি নিজৰ আৰু ৰাইজৰ শাসন কাৰ্য্য সুকলমে চলে ইয়াকে কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

Dr. Lutfur Rahman (Minister)—Sir, the matter under discussion relates to the Veterinary Deptt. Sir, while discussing the Hon'ble Member Shri Roy Pradhani has raised certain points regarding the alleged 1974 Dhubri Famine and hunger strikes strikes etc. Sir, regarding these points, our Hon'ble Chief Minister has already replied them earlier and I need not go into the matter again. Now, Sir, regarding this question of Veterinary Deptt. and other matters as has been referred to, I would like to give on fact. Sir, the Hon'ble Member has stated that Chief Minister's order was not carried out and implemented in the Deptt. Sir, it is not the fact. Chief Minister's order was always carried out and implemented in the deptt. Whenever any order was passed by the Chief Minister, it was carried out by the Deptt. immediately. Therefore, the point which has been raised by the Hon'ble Member that the Chief Minister's order was not carried out is not correct. It may be a fact that due to certain official procedures or difficulties the matter might have been referred back to the Minister for his advice and orders. In this way there may be some delay. But it is not the question that Chief Minister's order was not carried out. Sir, in this particular case, the trans-

fer was stayed and again vacated and this was do immediately. Then again his transfer order was stay on representation. All these were done immediate But then, Sir, when this officer was not on duty, i. when he was not in any post neither he did app for leave and for that period his service is require to be regularised. We cannot make the payment unle and until this is regularised according to the proc dure. Sir, when the Chief Minister passed an ord for immediate payment of his salary, we took act accordingly. So, Sir, there was some hardship and should say that this hardship is not the creation his salary, we took action accordingly. So, Sir, the was some hardship and I should say that this har ship is not the creation of the Govt. It is the creati of the officer himself and perhaps with the instigat of the Hon'ble Member. Sir. when an officer is c transfer, he gets his usual salary. But this is differe Similarly, Sir, in other case also we are trying to r gularise his service.

Shri Kabir Chandra Roy Pradhani—Sir, whether his st order was given by the Chief Minister and whether h was not on duty as before after that ?

Dr. Lutfur Rahman ( Minister )—Sir, from 6.9.74. to 10.10.7 Shri B. Das was not in any post. It was a break service. He did not submit any application for leav Therefore, Sir, Govt. cannot make the payment unles and until his service is regularised. As regards th

other officer raised by the Hon'ble Member, I would like to state that the bill is now in the treasury and he will get the payment which is due to him. So, Sir, these are the difficulties for which we cannot make the payment. Sir, we have considered his case very sympathetically and we always want that our officers should get the salary. But under the circumstances, how we can help him ?

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—উপাধ্যক্ষ মহোদয়, এজন অফিচাৰক ট্ৰেন্সফাৰ কৰিলে তেওঁ ৰিপ্ৰেজেনটেশ্যন দিব পাৰে, শ্ৰীদাসে তেওঁৰ এই বিষয়টো উল্লেখ কৰি ৰিপ্ৰেজেনটেশ্যন দিছিল, ৰিপ্ৰেজেনটেশ্যন নিদিয়া হলে বেলেগ কথা আছিল, কিন্তু যিহেতু শ্ৰীদাসে ৰিপ্ৰেজেনটেশ্যন দিছিল তেখেতৰ সেই ৰিপ্ৰেজেনটেশ্যনৰ অন্তত জবাব এটা দিব লাগিছিল। কিন্তু তাকে নকৰি সেই মানুহ জনক এনে ভাবে হেৰাচমেণ্ট দিব নালাগিছিল, 'আউট অব গ্ৰাজ' বা 'মটিভেটেদ' হৈ সেই মানুহজনক এনে ভাবে হেৰাচমেণ্ট দিয়াত তেওঁ আজি কেবামাহো দৰ্মহা নোপোৱাকৈ কষ্ট ভোগ কৰিব লগীয়া হৈছে। গতিকে মই ভাবো আবেদন কৰাৰ পিচত তেওঁৰ কেচটো অলপ চাব লাগিছিল।

Dr. Lutfur Rahman ( Minister )– Sir, the respresention which has been submitted by the officer is not treated as application for leave. There must be a separate application for leave and he should have submitted it. So, Sir, I have already explained the difficulties for which his salary for the period was not paid. Salaries other than this period have already been paid to him. As regards this matter we shall have to regularise his service and then he will be given his due according to rules.

Smti Renuka Devi Barkataki—মই এইখিনিতে এটা কথা কব বিচাৰো যে Some of the officers have defied Government servict conduct rules, but those who have not defied Govt. Servant Conduct Rules, why Government has not shown sympathy to them ?

Shri Lutfur Rahman (Minister, Veterinary)—Sir, Government is examining this. But the Hon'ble Member of the House himself is representing to the Chief Minister on this. At this stage we will enquire into the matter.

শ্ৰীকবিব বায় প্ৰধানী—অধ্যক্ষ মহোদয়, যিহেতুকে মোক চাৰ্জ কৰিছে সেই কাৰণে এই কেইটা কথা মই কব লাগিব। এইটো মন্ত্ৰী মহোদয়ৰ অবজ্ঞা কৰাৰ কাৰণে হৈছে। এই বিষয়ে তেখেতৰ পৰা যি ধৰণৰ নিৰাশবাদী উত্তৰ পালো তাত মই নিৰাশ হৈছে মুখ্যমন্ত্ৰীৰ ওচৰ চাপিলো। গতিকে এনে ধৰণৰ গোলমাল যাতে নহয় তাৰ কাৰণে প্ৰথমৰ পৰাই লক্ষ্য কৰিব লাগে ; আৰু কৰলৈ হলে মোক এঘণ্টাই সময় লাগে।

Mr. Deputy Speaker—Under Rule 301 there are certain provision. You must follow the procedure. You are to raise certain matter. Now, you are raising the matter and that matter should be confined to the notice that you have given. You confine to the matter.

Shri K. C. Rai Pradhani—Sir, Hon. Minister himself is responsible to the matter.

শ্ৰীকবিৰ বায় প্ৰধানী—আজি এইটো পিকচাৰত আহিছো কাৰণেই মই কব লাগিব। যিহেতুকে এই সদনত মই আনদিজায়েবেবল নহয়। গতিকে কথা কোৱাত মোৰ ৰাইট আছে। আজি দেখা গৈছে যে, ভি, ভি, এচ, চি সকলৰ প্ৰমোচন হোৱা নাই। বজাৰত কনী, মুৰগী আদি পাবলৈ নোহোৱা হৈছে। গতিকে এইবিলাকৰ উন্নতি কৰাতো মন্ত্ৰী মহোদয়ৰ দায়িত্বৰ ভিতৰতে পৰে।

Shri Lutfur Rahman ( Minister, Veterinery )—Sir, the Hon. Member has gone estray. One thing I must say that I am sorry for the Hon'ble Member that he is offe-nded. Regarding other matters we are trying to im-prove the Department. I think, the Hon'ble Member will extend his cooperation.

General Discussion on Budget

শ্ৰীগোলাপ বৰুৱা—মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানৰ কথা আলোচনা কৰি মই কব বিচাৰিছো যে, শিক্ষাৰ ক্ষেত্ৰত চাহ বনুৱা সকলৰ উন্নতি হোৱা নাই। গতিকে মই পৰামৰ্শ বিচাৰিছো যে, আমাৰ যি বিলাক অশিক্ষিত বনুৱা লোক আছে, যি বিলাকৰ অক্ষৰৰ জ্ঞান নাই সেই লোক সকলক যাতে আগবঢ়াই আনিব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগে। আমাৰ চাহ বাগান বিলাকত যিবিলাক স্কুল আছে সেইবিলাকৰ অকনো উন্নতি হোৱা নাই। আজি ২১৪ খন স্কুল চৰকাৰে লৈছে যদিও লৰা-ছোৱালী বিলাক আজি আগবাঢ়ি আহিব পৰা নাই। গতিকে আমাৰ যি বিলাক অঞ্চলত মাইনৰটি কমিউনিটি বিলাকো পিচপৰি আছে আৰু যি বিলাক চাহ বনুৱা একেবাৰে পাচ পৰি আছে সিহতক সকলো ক্ষেত্ৰতেই আগবঢ়াই আনিব পৰা ব্যৱস্থা কৰিব লাগে।

শিক্ষাই হৈছে দেশৰ ধৰণী। উপযুক্ত শিক্ষা দি আমাৰ দেশৰ নাগ-ৰিকক গঢ় দিব নোৱাৰিলে আমাৰ দেশৰ উন্নতি হব নোৱাৰে। গতিকে আমাৰ শিক্ষা ব্যৱস্থা উন্নতি কৰাৰ লগে লগে পিচ পৰি থকা লোক সকলৰ উন্নতিৰ কাৰণে লক্ষ্য কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই বান নিয়ন্ত্ৰণৰ কথা কব বিচাৰো বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰা কাৰণেই আমাৰ দেশৰ মানুহে যোৱা বছৰ নানা কষ্টৰ সন্মুখীন হব লগা হৈছে। আমাৰ চৰকাৰে বহুতো ঠাইত ৰিটয়াৰমেণ্ট বান্ধ দিছে. শিলৰ বুৰুজ দিছে কিন্তু একো কাম হোৱা নাই। বছৰে বছৰে মানুহ নানা ভাৱে বানপানীৰ কবাল গ্ৰাসত পৰি কষ্ট-ভোগ কৰিব লগা হৈছে। যিবিলাক নদীত বান পানীয়ে ক্ষতি কৰে

সেই নদী বিলাকত যাতে বানপানীৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব পাৰে তাৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন কৰা হৈছে। দোকৰ বাগৰি বাইজে বহুবাৰ আবেদন নিবেদন কৰা হৈছিল আৰু বহুবাৰ এই বানপানীৰ পৰা ৰক্ষা কৰিবৰ বাবে চাৰ্ভে কৰা হৈছিল কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা নহল। বাৰিষা কালত এফালে বানপানীয়ে খেতিৰ শস্য নষ্ট কৰিছে আনফালে খৰালি কালতো কৃষক সকলৰ পানীৰ অভাৱৰ কাৰণে খেতিৰ শস্য নষ্ট হয়। ৰাষ্ট্ৰিয় উদ্যান হোৱাৰ পিচত দক্ষিণপাৰে সীমা নিৰ্ধাৰণ কৰাৰ পিছত খৰালি কালত যি খেতি হৈছিল সেই খেতিবিলাক বনজন্তুয়ে নষ্ট কৰে। মই সেই ঠাইলৈ নিজে গৈ চাই আহিছোগৈ যেতিয়া সীমাটো উত্তৰ পাৰে আছিল আৰু তেতিয়া ৰাইজৰ সিমান অসুবিধা হোৱা নাছিল। যদি অসুবিধা হৈছিল যদিও ৰাইজে ভালেমান খেতি ৰক্ষণাবেক্ষণ কৰিব পৰা ব্যৱস্থাৰ সহায়ক আছিল। কিন্তু সীমা যেতিয়া দক্ষিণ পাৰে হ'ল তেতিয়া ৰাইজৰ অসুবিধাৰ সীমা নোহোৱা হ'ল। তাৰোপৰি নদী পাৰ হৈ খেতি পথাৰলৈ বনৰীয়া জন্তু আহি খেতি নষ্ট কৰি আছে। এনেকৈ বানপানী, বনৰীয়া জন্তু সকলোবোৰে কৃষকক জুলুম দি আহিছে। ৰাষ্ট্ৰীয় উদ্যান কৰাত আমাৰ আপত্তি নাই কিন্তু এই সীমা হোৱাৰ পৰা খেতিয়কে নদীৰ সিপাৰলৈ পাৰ হৈ গলেও আনকি জন্তু আদি খেদিবলৈ গলেও টেক্স দিবলগীয়া হয়। ইয়াৰ কাৰণে ৰাইজৰ অযথা জুলুম হৈছে। উৎপতীয়া জন্তুবোৰে কৃষক সকলৰ খেতি নষ্ট কৰে কিন্তু সেই কথা কেনেও চিন্তা নকৰে। মন্ত্ৰী ডাঙৰীয়াই কৈছে যে বাৰ জন কৰ্মচাৰী ইয়াৰ কাৰণে আছে, কিন্তু তাৰ ব্যৱস্থাহে কিন্তু পহৰা দিয়া কথা আমি নাজানো। সেইমতে পহৰা দিয়া হলে জনসাধাৰণৰ খেতি নষ্ট নহলহেতেন। সেই কাৰণে মই মন্ত্ৰীমহোদয় আপোনাৰ যোগেদি এইটো দাবী কৰো যে এই ক্ষেত্ৰত আমাক ৰাষ্ট্ৰীয়কৰণ লাগে। যদিও দুখীয়া ৰাইজৰ সৰ্ব্বাংগীন উন্নতি হোৱাটো বিচাৰো। চৰকাৰে হয়তো কব যে জনসাধাৰণৰ মংগলৰ কাৰণে, নিজৰ দেশৰ মংগলৰ কাৰণে চৰকাৰৰ পুজিৰ ধন যথেষ্ট খৰচ কৰিছে। কিন্তু যিমান খিনি খৰচ কৰিব লাগিছিল প্ৰকৃততে সিমান খিনি কৰা নাই। বাৰিষা কালত

যিবিলাক জন্তু বাহিৰলৈ ওলাই যায় সেইবিলাক জন্তুৰ ৰক্ষাৰ কাৰণে কিবা ব্যৱস্থা লৈছে বুলি মোৰ মনে নধৰে। কাৰণ ৰাষ্ট্ৰীয় উদ্যানত যিখিনি জন্তু আছিল সেই জন্তুবোৰ ৰক্ষাৰ কাৰণে কোনো ব্যৱস্থাই এতিয়ালৈকে লোৱা নহল। যদি ৰাষ্ট্ৰীয় উদ্যানখন ভালদৰে গঢ়ি তুলিলেহেঁতেন তেন্তে এই জন্তুবোৰ বাহিৰলৈ যাবলগীয়া নহলহেঁতেন। তাৰোপৰি এই অঞ্চলৰ মানুহখিনিৰ জীৱন ৰক্ষাৰ কাৰণে মন্ত্ৰী মহোদয়ে চিন্তা আৰু লক্ষ্য ৰখাটো উচিত হব। এতিয়া বানপানীয়ে গোলাঘাটৰ বাইজৰো প্ৰচুৰ খেতিৰ ক্ষতিসাধন কৰে আৰু সেই কাৰণেই মই ৰাষ্ট্ৰীয় উদ্যানখন নতুনকৈ সীমা তুলি দিয়াটো যুক্তি যুক্ত বুলি ভাৱো। গতিকেই মই মন্ত্ৰী মহোদয়ৰ যোগেদি এই কেইটা পৰামৰ্শ আগবঢ়ালোঁ যাতে তেওঁ ইয়াৰ উন্নতিকল্পে সাহাৰ্য্য আগবঢ়ায়। আজি কৃষিৰ ক্ষেত্ৰত বিশেষকৈ মই মোৰ সমষ্টিৰ কথাই কব বিচাৰিছো আৰু যিটো বিষয়ে মই সদায়েই কৈ আহিছোঁ। সেইটো হৈছে ১৯৬২ চনতে কলঙৰ মুখ বন্ধ কৰাৰ পিছত সেই অঞ্চলত পাঁচটা মৌজাৰ ওপৰত ইয়াৰ প্ৰতিক্ৰীয়া হল। নগাওঁ জিলাৰ উত্তৰ অঞ্চলৰ ধিং আদি অঞ্চল খৰাং হৈ পৰিল আৰু দক্ষিণ অঞ্চল বাহি অঞ্চল। কলঙৰ মুখ বন্ধ কৰাৰ আগতে গোটেই নগাওঁ অঞ্চলটোৱেই প্ৰায় বাহি অঞ্চল হিচাবে পৰিলক্ষিত হৈছিল। কিন্তু বৰ্তমান সম্পূৰ্ণ উত্তৰ পাৰটো খৰাং অঞ্চলত পৰিণত হল। এইখৰাং অঞ্চলৰ কাৰণে চৰকাৰে বহুতো আঁচনি গ্ৰহণ কৰিছে। কিন্তু এই আঁচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ যিমান খীপ্ৰ ব্যৱস্থা লব লাগিছিল, জলসিঞ্চন বিভাগে ৰাজহ বিভাগে সেই ব্যৱস্থা লব পৰা নাই। ১৯৬২ চনৰ পৰা ১৯৭৫ চনলৈকে জলসিঞ্চনৰ নামত মাটি এতিয়াও অধিগ্ৰহণ কৰিব পৰা নাই বা কৃতকাৰ্য্য কিয় কৰিব পৰা নাই মুখ্যমন্ত্ৰীয়ে চিন্তা কৰিব কিন্তু মোৰ মতে একমত হবলৈ টান পালেও মই কওঁ যে চৰকাৰে মাটি অধিগ্ৰহণ কৰিছে যদিও ইয়াৰ সম্পূৰ্ণ টকা চৰকাৰে দিয়া ব্যৱস্থা কৰা নাই। গতিকে আঁচনি যাতে সোনকালে কাৰ্য্যকৰী কৰে তাৰ বাবে মই চৰকাৰক অনুৰোধ জনালোঁ। সদৌ শেষত মই বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker—The House stands adjourned till 2.30 P. M.

শ্ৰীজানকী নাথ সন্দিকৈ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১৯৭৫-৭৬ চনৰ বছৰৰ কাৰণে আমাৰ বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে দাঙি ধৰা বাজেট পঢ়ি চাইছো আৰু তাত মনোনিবেশ কৰিছো। কিন্তু আচৰিত কথা যি ধৰণে কিছুমান কথা প্ৰতি বছৰে দিয়ে কিন্তু সময় মতে এই বাজেটৰ আঁচনি মতে কাম হৈ নুঠে। তাৰ প্ৰমাণ হিচাবে অন্য ঠাইৰ কথা নকও মোৰ নিজৰ সমষ্টিৰ যি বিলাক আঁচনি কৰে সেই আঁচনি বিলাক প্ৰতি বাৰে বাজেটত বহুৱা হিচাব দেখো। যেনেকৈ ইৰিগেচনৰ কিছুমান প্লেন কেবা লাখ টকাৰ ১৫-১৬ লাখ টকাৰ ১৯৭২, ১৯৭৩ চনত দেখিছো। ১৯৭৪, ১৯৭৫ চনত নাই। কামত, এবাৰো একো নহল। যোৱা বছৰৰ বাজেটত দেখিছিলো ধোদৰ আলিৰ ওপৰত মাইল পোষ্ট ৮৭ নংৰ পৰা ১০৪ নং লৈ কেবা লাখ টকা চাফেচিং আৰু মেটেলিংৰ কাৰণে ধৰিছিল। কিন্তু আজিলৈকে কাম আৰম্ভ হোৱা নাই। যদি টকা নাই বা অভাৱ তেনেহলে ৰাইজক এনেবোৰ আঁচনি দাঙি ধৰি মনৰ পতিয়ন যাবৰ কাৰণে চেষ্টা কৰাৰ বাজে সত্যৰ ওপৰত কোনো ভিত্তি ৰখা নহয়। অকল সেই বিলাকেই নহয়। সিদিনা মুখ্যমন্ত্ৰীয়ে এটা কথা উল্লেখ কৰিছে যে মুগা পোহাৰ ক্ষেত্ৰত গ্ৰেজিং বিলাকত চোম গছ লগাইছে, এই বিলাক উঠি আহিলে কুটীৰ শিল্পৰ উন্নতি হব। মই জনাত গোটেই শিৱসাগৰ মহকুমাত গ্ৰেজিং যিমান বিলাক আছে ক'তো চোম গছ ৰুৱা নেদেখিলো। গতিকে এই বিলাক কিতাপত লিখি থোৱা কথা। যি কি নহওক এই বাজেট খন দাঙি ধৰোতে বাৰে বাৰে প্ৰতিশ্ৰুতি দিছে, আমি অন্য নহলেও আশাবাদী হৈ জীয়াই থাকিব লগা হৈছে। আমাৰ দেশ খনত যেনেকৈ আকালে দেখা দিছে সেইদৰে আমাৰ আঁচনি বোৰ 'দাইনেমিক' হোৱা নাই 'ষ্টেটিক' হৈ আছে। লোক সংখ্যা যেনেকৈ বাঢ়ি গৈছে, আকাল যেনেকৈ বাঢ়ি গৈছে, বস্তুৰ অভাৱ যেনেকৈ হৈছে, আমাৰ ৰাজ্যখনত ব্যয় কৰি দেশ খন সমৃদ্ধিশালী কৰি আকালত নপৰাৰ চেষ্টা কৰাটো যেনেকৈ হব লাগে তেনেকৈ হোৱা নাই। আমি ধান সংগ্ৰহৰ কথা লৈ বহুতো কথা

অবতাৰণা কৰিব পাৰো। আমাৰ অসম খনত শতকৰা ৮৫ ভাগ মানুহ খেতিয়ক। খেতি মানে ধান খেতি কৰা মানুহ। অন্য খেতি কৰি জীবিকা উপাৰ্জন কৰা মানুহৰ শতকৰা হাৰ বৰ কম। বিশেষকৈ অসমীয়া শতকৰা ৮৫ ভাগ মানুহ ধান খেতিৰ ওপৰত নিৰ্ভৰ কৰি চলি আছে।

আমাৰ এই সাধাৰণ খেতিয়ক সকলে দুৰ্দিনৰ সময়ত দৈনিক জীৱন যাপন কৰিবলৈ খৰচ কৰা বস্তু খিনি ব্যৱহাৰ কৰিবলৈ পায় ক'ৰ পৰা? ধান চাউলৰ বাহিৰে বাকী পিঁয়াজ, হালধি, মচলা, গুৰ সকলো বাহিৰৰ পৰা আহে। অৱশ্যে আমাৰ এটা চেনিকল আছে যদিও বিহাৰৰ পৰা অহা গুৰ বজাৰত বেচিকৈ চলি আছে। পশ্চিমীয়া দেশবোৰৰ খেতিয়ক সকলে আমাতকৈ কমনে বেচি দামত বস্তু পায়? আপোনাসকলে জানে ট্ৰেন্সপোৰ্ট বটলনেকৰ কাৰণে এই বস্তু বিলাকৰ দাম পশ্চিমীয়া দেশবোৰ-তকৈ প্ৰায় ডেৰ গুণ আমাৰ ইয়াত বেচি। তাৰোপৰি শিল্পজাত দ্ৰব্য, কাপোৰ কানি আদি আৱশ্যকীয় বস্তুবোৰ আমাৰ খেতিয়কে চৰা দামত কিনিব লাগে। বস্তু বিলাক অহাৰ খৰচ, বেপাৰীৰ লাভ এই সকলো খিনি ধৰি মূল্য নিৰূপন হয়। গতিকে অসমৰ খেতিয়কে উপাৰ্জন কৰা ধানৰ পইচা কেইটাৰে এই সকলোবোৰ বস্তু অন্য ৰাজ্যৰ পৰা কিনিব লাগে। তেওঁবিলাকৰ সম্পত্তি হ'ল ধান কেইটা আৰু গবৰ্ণমেণ্টে বান্ধি দিয়া দামত বিক্ৰি কৰিলে কিমান কষ্টৰে জীৱন যাপন কৰিব লাগে, ল'ৰা ছোৱালীক পঢ়াব লাগে, কাপোৰ কানি পিন্ধিব লাগে, আপোনা-লোকে ভাবি চাওক। আন এটা কথা হ'ল এই খেতিয়ক সকলক আমাৰ কৃষি বিভাগে কিমান সহায় কৰিব পাৰিছে? গবৰ্নমেণ্টে যিমানেই ঢোল পিটি চিঞৰি শুনাওক, বান্ধৰ কথা যিমানেই নকওক, নলী নাদৰ কথা যিমানেই নহওক যি খিনি বিভাগীয় কাম তাৰ লগত সাধাৰণ খেতিয়কৰ কাৰ্য্যৰ লগত সামঞ্জস্য নাই। গতিকে এই আধুনিক প্ৰথা প্ৰচলনৰ ক্ষেত্ৰত কোটি কোটি টকা খৰচ কৰি খেতিয়কক যথোচিত সহায় কৰিব নোৱাৰে তেনেহলে খেতিয়কৰ অৱস্থা বৰ্তমানলৈকে বেয়াৰ ফালে যাব। যাৰ ফলত খেতি কৰি জীবিকা উপাৰ্জন কৰা ৰাইজৰ দুৰ্গতি বাঢ়িব। আৰু এটা কথা চাওক যদি ধানৰ কুইন্টল ৭২ টকা হয়

আৰু সেই দামত খেতিয়কে ধান নিদি বাহিৰত এশ টকাত বিক্রি কৰে তাৰ কাৰণে পুলিচ বা অন্য কোনো বিষয়া লগাই জোৰ জবৰদস্তি কৰি ধৰে তেনেহলে কি হব ? গাৱঁত এটা ধ্বনি উঠিছে যে ১৪ বিঘাতকৈ বেচি খেতি কৰিলে চৰকাৰে যেতিয়া বাদ বাকী লৈ যায় আমি নিজৰ আহাৰৰ বাবেহে কৰিব লাগিব বাকী যি হয় হব বছৰি খেতি কৰা ৰাইজৰ প্রচেষ্টাত যদি ত্রুটি হয় তেন্তে দেশত আৰু অকাল হব । মাদ্রাজ, মহাৰাষ্ট্র, উৰিষ্যা আদিত ৰাজ্যিক চৰকাৰে যি হাৰত ধান কিনে তাতকৈ বেচি দামত আমাৰ চৰকাৰে ধান কিনিব লাগিব । সেই ব্যৱস্থা নকৰিলে আমাৰ খেতিয়কৰ অৱস্থা আৰু বেয়া হব । এতিয়া ডেকা গাভৰু বিলাক খেতিৰ পৰা আতৰি আহি ৰাজপথে, অফিছে চাকৰি চাকৰি কৰি চিঞৰি ফুৰিছে । তেওঁলোকক কর্মমুখী কৰিবৰ কাৰণে শ্রমৰ মানদণ্ড বঢ়াব লাগে । শ্রমৰ দ্বাৰা নিজৰ অৱস্থা উন্নতি কৰিবলৈ নিশিকিলে দেশৰ অৱস্থা কি হব ?

আন এটা কথা হ'ল আমাৰ গড়কাপ্তানী বিভাগৰ জৰিয়তে কনষ্ট্রাকচন কৰপৰেচন হৈছে । এটা বৰ দৰকাৰী কথা হল কেন্দ্রীয় চৰকাৰে কোটি কোটি টকা খৰচ কৰি বঙাইগাৱঁত পেট্রো কেমিকেল কমপ্লেক্স কৰিবলৈ ওলাইছে । তাতে একো একোটা ঠিকাৰ মূল্য ৭০-৮০ লাখ টকা ধার্য্য কৰা হৈছে । দুখৰ বিষয় তাত অসমৰ পৰা কোনো ঠিকাদাৰে 'কটেচন' দিয়া নাই । মাত্র তিনিখন কটেচন পৰিছিল, সেই কেইখন হল অসমত থকা মানুহৰ, অসমীয়া মানুহৰ নহয় । তেওঁলোক হ'ল লাহতি, বজৰিয়া আদি । এই ৭০-৮০ লাখ টকাৰ ঠিকাৰ 'চিকিউৰিটি' মানি দিয়া লোক অসমত অসমীয়া কেইজন আছে ? আমাৰ বর্ডে এই সম্পর্কে কি চিন্তা কৰিছে ? এই বিষয়ত চেষ্টা কৰিলে আমাৰ কিছুমান নিবনুৱা ডেকা গাভৰুক নিম্নতম সুবিধা খিনি দি সকাহ দিব পৰিলেহেতেন ।

কিন্তু সেই কামবিলাকত এই বোর্ডে কনষ্ট্রাকচনত কোনো মনোনিবেশ নকৰে । গতিকে আমি ভাবিব লাগিব এই কাম কৰোতে কিবা এটা ত্রুটি হৈছে । কাৰণ এই বর্ডখনৰ যোগেদি পিয়ন চকীদাৰৰ ঘৰ তৈয়াৰ কৰি লাখ লাখ টকা লোকচান কৰাতকৈ ১০।২০ লাখ টকা লোকচান

কৰি স্থানীয় যুবকক সুবিধা দিলেহেঁতেন তেন্তে লাখ লাখ, কোটি কোটি টকা আমাৰ স্থানীয় যুৱকৰ হাতত সোমালহেঁতেন। কিন্তু আচল কথা হৈছে কি ? আমাৰ কি চৰকাৰেই হওক, কি ৰাইজেই কওক গোটেই সমাজখন সোপা-ধ্বিলা হৈ পৰিছে আৰু কৰ্মত আগবাঢ়িব নোখোজা হৈ বাটৰ কচুটেকীয়া খাই জীয়াই থাকিম আৰু স্বাস্থ্য ৰক্ষাৰ বাবে খালৰ পুথি খলিহাই হব। ঠিক এনে এটা ভাবতে সন্তুষ্ট থকাৰ বাবে বাকী একো হোৱা নাই। গতিকে মই আমাৰ চৰকাৰক জনাওঁ যে এইবিলাক বিষয়ত আমাৰ থলুৱা ৰাইজৰ কাৰণে গাইগোটীয়া হিচাবে সন্মিলিত হিচাবে কাৰবাৰ কৰাৰ আঁচনি চৰকাৰে লৈ দ্ৰুতগতিত আগ নাবাঢ়ে তেন্তে পেট্ৰ' কেমিকেলৰ প্ৰিলিমেনেৰী কন্সট্ৰাকচন যেনে মাটি সমান কৰা, ৰাস্তা সমান কৰা, মেচিনাৰী ফাউন্দেচনৰ কাৰণে মাটিৰ ঠিকা দিয়া আদি ঠিকা ঠুকলি বিলাকৰ সুবিধা দিব পৰা নাযাব। কিন্তু এই বিলাক এতিয়া বিহাৰ, ইউ পি, দিল্লী, পাঞ্জাব আদি মানুহে কৰিছে আৰু সেই সকলে কি কৰিব, লগতে তেওঁলোকে সেই নিজৰ ঠাইবিলাকৰ পৰা মানুহ লৈ আহিব ফলত সেই কামত বাহিৰা লোকৰ নিয়োজন হৈ যাব আৰু কাম কৰা শেষ হোৱাৰ লগে লগে পি, ডব্লিউ ডি, ৰাস্তাৰ দাঁতিতে এচলীয়া চালি দি ইয়াতে উপাৰ্জন কৰি খাব। এই কথা জানিব আৰু ইয়াৰ পৰা আতঁৰি যোৱাৰ কথা তেওঁলোকে নাভাবিব। সেইকাৰণে মই চৰকাৰক দোহাই দোহাই জনাওঁ আৰু দাবী কৰো যে এনেকুৱা কামবিলাকত আমাৰ চৰকাৰ আগৰণুৱা হৈ কাম খিনি আমাৰ কাৰিকৰৰ অনুপযুক্ত ডেকা গাভৰুক দিয়াৰ প্ৰচেষ্টা কৰে। তাৰ বাবে লাখ লাখ টকা খৰচ হওক আৰু লাগে লোকচান হৈয়ো যাওক, কিন্তু চাৰ কোটি কোটি টকাৰ কাম আহিব।

( ধ্বনি—কাম কৰিবলৈয়ো শিকাব লাগিব। )

আৰু এটা কথা সিদিনা মাননীয় সদস্য গগৈ ডাঙৰীয়াই প্ৰশ্ন কৰোতে কৈছে যে আমাৰ যি বিলাক পুৰণি কৃতি স্তম্ভ, সেই বিলাক ভাঙি চিঙি নাইকীয়া হৈ যাব ধৰিছে বুলি কৈছে। আৰু এটা দৃষ্টান্ত মই দিওঁ সেইটো আমাৰ পি, ডব্লিউ, ডিৰ মন্ত্ৰী ডাঙৰীয়াই জানে নে নাজানে কব নোৱাৰো, নামদাং নৈৰ ওপৰত ( শিৱসাগৰৰ ) শিলা সাকু নামে এটা

পুল আছে তাত এটা মটৰ দুৰ্ঘটনা হৈ ৬।৭ জন মানুহ মৰিল, সেই দলংখনৰ দাতিত এতিয়া এডাল বাহ বান্ধি থৈছে। এতিয়াও সেই বাহ বন্ধা শিলৰ সাকু ওপৰেৰে মানুহ অহা যোৱা কৰি আছে। পি, ডব্লিউ ডিৰ বিভাগে কোনো কাম কৰা নাই। কৃতি স্তম্ভৰ সংৰক্ষণৰ যি বিভাগ আছে সেই বিভাগেও কোনো চকু কান দিয়া নাই। এইয়ে হৈছে আমাৰ দূৰৱস্থা। এনে উদাহৰণ বোৰৰ পৰাই আমাৰ পুৰণি কৃতি স্তম্ভবোৰ কেনেকৈ লোপ পাব লাগিছে তাক বুজিব পাৰি।

অধ্যক্ষ মহোদয়, সিদিনা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে ৪।। হেজাৰ টকা বছৰত দিয়ে পিয়ন চকিদাৰৰ দৰমহা। কিন্তু পুৰণি কৃতি স্তম্ভ ৰক্ষা কৰা, পৰিষ্কাৰ কৰা, বা ফুলনি আদি ৰখাৰ কাৰণে একো টকা চৰকাৰে ৰখা নাই। যদি সঁচাকৈয়ে ভাৰত চৰকাৰে এই বিষয়ত দূৰ দুৰণিৰ ৰাজ্য বুলি কান নিদিয়ে তেতিয়া হলে আমাৰ ৰাজ্য চৰকাৰৰ টকা শিকাৰে হলেও তাক ঠিক কৰি ৰাখিব লাগে আৰু ভাৰত চৰকাৰৰ পৰা টকা আদায় কৰাটো অসম চৰকাৰৰ কৰ্ত্তব্য।

অধ্যক্ষ মহোদয়, আপুনি জানে যে শিৱসাগৰ, লক্ষীমপুৰ আৰু ডিব্ৰুগড় এই তিনিও খন জিলাই ঐশ্বৰ্য্য সম্পত্তিৰে ভৰা আৰু এই ঐশ্বৰ্য্য সম্পত্তিৰ ভিতৰত তেলেই হৈছে প্ৰধান আৰু ই অফুৰন্ত আকঁৰ। এতিয়া আৱিষ্কাৰ কৰি তাক কামত ব্যৱহাৰ কৰাটো হৈছে ভাৰত চৰকাৰৰ কাম। কিন্তু ইয়াৰ মুনাফা অসমৰ ল'ৰা ছোৱালীয়ে কিমান দূৰ পাব সেইটোহে সন্দেহৰ কথা। কিন্তু এইটো কথা আজি ভবা নাই যে এই ঐশ্বৰ্য্য পূৰ্ণ জিলা কেইখন যদি এনেদৰে শোষিত হৈ থাকে তেন্তে এই জিলা কেইখনৰ বাইজে নিতান্তই প্ৰতিৰোধৰ ব্যৱস্থা লব লাগিব। সেইকাৰণে ইয়াৰ চাহ তেল আদি প্ৰাকৃতিক অমূল্য সম্পদৰাজীৰ হিচাব লৈ এই জিলাকেইখনৰ কাৰণে এখন বেলেগ বাজেট তৈয়াৰ কৰি ৰাইজক দেখুৱাব লাগে। আমি সদায় টকাৰ হিচাব কৰিয়েই ক্ষান্ত থাকিব নালাগে। এই হিচাবমতে আমাৰ মুখ্য মন্ত্ৰীয়ে কাম কৰিবলৈ সন্মত হৈছে নে নাই? এই কথা লক্ষ্য ৰাখি কাম নকৰিলে বছৰৰ পিচত বছৰ ধৰি মানুহৰ অৱস্থা শোচনীয় হৈ পৰিছে। তাৰ প্ৰতিকাৰ হোৱা নাই। আমাৰ যি যি বিভাগ

যি যি বিষয়ত ন্যস্ত হৈ আছে তাৰো মই এটা কথা কওঁ যেনে—আমাৰ ভেটেনেৰী বিভাগ।

অধ্যক্ষ মহোদয়, আমাৰ প্ৰশাসনৰ যি বিভাগৰ ওচৰত যি কাম ন্যস্ত কৰা হৈছে সেইবিলাক বিভাগে সেই সেই কাম ঠিকমতে কৰিব পৰা নাই। উদাহৰণত মই এটা কথা কওঁ, আমাৰ ভেটেনাৰি বিভাগত ডিৰেক্টৰ, এচিচ্‌টেণ্ট ডিৰেক্টৰ আদি বহুতো অফিচাৰ আছে। তেওঁলোকে জানে নে নাজানে যে প্ৰয়োজনৰ ক্ষেত্ৰত তেওঁলোকৰ পৰা ৰাইজে কিবা উপকাৰ পাইছে নে নাই? অৱশ্যে বেজি দিয়াৰ কাম কৰিছে। আৰু গৰু মহ বহুতো সময়ত কেনেকৈ বেমাৰৰ পৰা বচাইছে। কিন্তু ইমান ডাক্তৰ, ডেমনষ্ট্ৰেটৰ আদি থকা স্বত্বেও গৰু মহৰ বেমাৰ হলে ৰচাব পৰা নাই। আৰু তেওঁলোকৰ ফালৰ পৰা মনোযোগো দিয়া হোৱা নাই। আজি যিমান টকাই খৰচ নকৰক, গৰু, মহ, কুকুৰ, ছাগলী আদি যদি হস্পিটাললৈ নিব লগীয়া হয় ৰাইজে ভাবে আৰু ঘুৰি নাহে। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ, নিশ্চয় তেওঁলোকৰ অৱহেলা। এই ডাক্তৰ আদি কৰ্ম্মচাৰী সকলে কামত অৱহেলা কৰে। ইয়াৰ বাহিৰে অন্য একো নহয়। কৃষিৰ ক্ষেত্ৰত বিশেষ নকলেও আপুনি জানে যে আমাৰ কৃষকসকলক আলু খেতিৰ কাৰণে বীজ দিছে। কিন্তু ইয়াতো আচৰিত কথা যে আচলতে বীজ ৰাখিব লাগে মজলীয়া ধৰণৰ আলুগুটি। কিয়নো যি প্ৰকৃত খেতিয়ক তেওঁলোকে গোটেই ডাঙৰটোও নাৰাখে আৰু সৰুটোও নাৰাখে মজলীয়া ধৰণৰ আলুগুটি ৰাখে বীজৰ কাৰণে। কিন্তু এইবাৰ যাক বীজ ৰাখিবলৈ কোৱা হৈছিল তেওঁলোক নিশ্চয় খেতিয়ক নহয় কাৰণেই এই বেয়া ব্যৱস্থা হৈছে। আলুগুটি কাটি টুকুৰা কৰি দিয়াৰ ব্যৱস্থা কৰিছে। কোনো কোনো ঠাইত আলুগুটি চাৰি পাচ টুকুৰা কৰিও দিয়াৰ ব্যৱস্থা কৰে কিন্তু ইয়াৰ বেছি টুকুৰা কৰিলে গেলি যাব। তাত আকৌ দুটা বা তিনিটা আলুই এক কেজি হয়গৈ। সেই আলু সঁচ কেনেকৈ হয়? এই বিলাক কথা ফলআপ কৰিব লগা হৈছে। এই ক্ষেত্ৰত মই যিবিলাক কথা আঙুলিয়াই দিছো সেই বিলাক কথা ঠিক কৰিবলৈ হলে কেৱল কিতাপৰ বাটেৰে নহয় আৰু কেৱল বাজেটতে আবদ্ধ নাৰাখি এই বিলাক যাতে কাৰ্য্যক্ষেত্ৰত খটোৱা হয় তাৰ কাৰণে বিশেষ মনোযোগ আকৰ্ষণ কৰোঁ।

অধ্যক্ষ মহোদয়, তাৰ পিচত আন এটা কথা হ'ল আমাৰ চৰকাৰৰ ফালৰ পৰা কৰা আলী পদুলি বিলাক মানুহৰ শত্ৰুহে হৈছে। আমাৰ গগৈ ডাঙৰীয়াই হাঁহিছে কিন্তু গগৈ ডাঙৰীয়াৰ গাড়ীখন ধোদৰ আলিয়েদি ডিব্ৰুগড়লৈ নাযায় কিন্তু যায় এ, টি, ৰোডেৰে কিয়নো ধোদৰ আলিয়েদি যাবঁ লাগিলে ককাল লৰিব। অসমৰ তেল অসমৰ শত্ৰু হৈ পৰিছে এই তেল অনা ট্ৰাক বিলাক অহা যোৱা কৰি অকল ধোদৰ আলিয়েই নহয় বাকী বিলাক ৰাস্তাৰো দুৰাৱস্থা কৰিছে। গতিকে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বুজাব নোৱাৰেনে যে তেলৰ ট্ৰাক বিলাক দিনে ৰাতিয়ে চলি আমাৰ ৰাস্তা বিলাক নষ্ট কৰিছে। সেই ৰাস্তা বিলাক মেৰামতি কৰিবলৈ আমাক বেছি টকা লাগে। এই চৰকাৰে আমাৰ কেন্দ্ৰীয় চৰকাৰক বুজাবলৈ ইমান অক্ষম হৈছে কিয়? যি হওক এই কথা কেইটাৰ কাৰণে চৰকাৰে বিশেষ মনোযোগ দিব ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীছত্ৰগোপাল কৰ্ম্মকাৰ—মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব্বপ্ৰথমতে মই মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে ১৯৭৫-৭৬ চনৰ কাৰণে যি বাজেট উত্থাপন কৰিছে তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ লগে লগে বিশেষকৈ বৰ্ত্তমান চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেই নীতি বিলাকৰ বিষয়ে দুষাৰ কবলৈ ঠিয় হৈছো। প্ৰথম কথা হ'ল চৰকাৰে মাটিৰ ক্ষেত্ৰত যি নীতি গ্ৰহণ কৰিছে বিশেষকৈ চাহ বাগানৰ পৰা যিখিনি মাটি অধিগ্ৰহণ কৰিলে, সেই মাটিখিনি চাহ বনুৱা সকলৰ মাজত ইতিমধ্যে পট্টন দিব লাগিছিল। কিন্তু সেইটো কৰা হোৱা নাই। তাৰ ফলত তেওঁলোকৰ খাদ্যৰ অভাৱ ঘটিছে। আৰু অন্যান্য সামগ্ৰীৰো সৰবৰাহ নোহোৱাৰ কাৰণে এই চাহ বাগিচাৰ শ্ৰমিক সকলে নানা আছঁকালত পৰি এনেকি চাৰিজন মৃত্যুমুখতো পৰিছে। আমাৰ লেটেকুজান বাগিচাতো তদ্ৰুপ অৱস্থা। গতিকে ভুমি বণ্টন যি নীতি চৰকাৰে গ্ৰহণ কৰিছে সেই নীতি বলৱৎ কৰি সোনকালে তেওঁলোকৰ দুখমোচন কৰাৰ চেষ্টা কৰিব লাগে। মহোদয়, সেই ফালৰ বহুতো চৰণীয়া পথাৰ চৰকাৰে মুকলি কৰি দিলে, অৱশ্যে চৰণীয়া পথাৰ মুকলি কৰাৰ মই পক্ষপাতী নহওঁ কিন্তু সেই চৰণীয়া পথাৰ বিলাকত কিছুমান অন্যান্য মানুহে বেদখল কৰি

বহি আছে। এই চৰণীয়া পথাৰ বিলাক যদি শেষ হৈ যায় তেন্তে আমাৰ গৰু মহৰ খাদ্য নোহোৱা হৈ যাব। আৰু সময়ত স্থানীয় লোকৰ হাঁহাকাৰ হব। মোৰ সমষ্টিৰে সৰুপথাৰত বিৰাট অঞ্চল এটা নগা সকলে বেদখল কৰি বহি আছে। আজিলৈকে চৰকাৰৰ তেওঁলোকক উচ্ছেদ কৰি সেই মাটিখিনি মুক্ত কৰাৰ সাহস হোৱা নাই। ধনশিৰিৰ এটা অঞ্চলটো নগা বেদখলকাৰীয়ে মূল্যবান গছ গছনি কাটি বেদখল কৰি বহি আছে। এই বিষয়ে মই যোৱাবাৰ অধিবেশনতে প্ৰশ্ন দিছিলো কিন্তু তাৰ উত্তৰ হলে আজিলৈকে নাপালো। গতিকে চৰকাৰক মই অনুৰোধ কৰো যে বৰ্ত্তমানে বেদখলকাৰীৰ উচ্ছেদ-কাৰ্য্য যি ধৰণে আৰম্ভ হৈছে ঠিক তেনে ৰকমেই এই নগা বেদখলকাৰী সকলকো সেই মাটি বিলাকৰ পৰা উচ্ছেদ কৰি আমাৰ নিবনুৱা যিসকল খেতিয়ক আছে সেই সকলৰ মাজত, যি সকল ভূমিহীন আছে তেওঁলোকক সেই মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু কেইবছৰমান যদি এই বেদখলকাৰী সকলে সেই মটি দখল কৰি থাকে তেন্তে সেই মাটি অসমৰ হৈ নাথাকিব বুলিয়েই মোৰ বিশ্বাস। আমাৰ গাওঁ অঞ্চলত পঞ্চায়তৰ যোগেদি আমাৰ মজতুৰ সকলে কিছুমান কোঅপাৰেটিভ চোচাইটি আৰম্ভ কৰিছে। মানুহৰ কোঃ অঃ চোচাইটিত বিশ্বাস নাই। সেই বিশ্বাস ঘূৰাই আনিবৰ কাৰণে কোঃ অঃ চোচাইটি বিলাকক সজীৱ কৰিবলৈ চৰকাৰে লক্ষ্য ৰাখিব লাগে। মহোদয়, আজি অসমত যি চাহ বাগিচা আছে সি এটা বিৰাট উদ্যোগ। যি উদ্যোগত কম পক্ষেও চল্লিশ লাখ লোকসংখ্যা হব আৰু এইসকলে মিলি সমবায় সমিতি গঠন কৰিছে। বৰ্ত্তমান সেইটো এনে বিৰাট অৰগেইনাইজেচন। তেওঁলোকৰ প্ৰায়ে দুই কোটি টকা মূলধনেই হব। আৰু তেওঁলোকৰ উদ্দেশ্য হৈছে অসম আনইকনমিক যিবিলাক চাহ বাগিচা আৰু যিবিলাক বৃটিচৰ দিনৰ পৰা চলি থাকি এতিয়া অন্যান্য মানুহক বিক্ৰী কৰিছে সেই বাগিচা বিলাক এই সমবায়ৰ জৰিয়তে কিনাৰ উদ্দেশ্য। যাতে সেই চাহ বাগিচা বিলাক এনে কোঃ অঃ জৰিয়তে লৈ শ্ৰমিক সকলেই মালিক হব পাৰে, আৰু শ্ৰমিক সকলে সেই বাগিচা বিলাকত কাম কৰি নিজৰ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে। সেইটোৰ নাম হৈছে

অসম টি কৰপোৰেচন। এতিয়ালৈকে তেখেতসকলে লেটেকুজান বৃ বাগিচাখন লৈছে।

অধ্যক্ষ মহোদয়, এই কৰপোৰেচনত পচিশ হাজাৰ কৰ্ম্মী আছে কিন্তু তেওঁলোকক দৰমহা নিদি ৰাখি থোৱাৰ পৰা কোনো কামত অ নাই। তেওঁলোকক অৰ্থাৎ দৰমহা নাই আজি দুই মাহে। হস্পিটাল ঔষধ নাই, ৰেচন নাই। ব্ৰহ্মপুত্ৰ টি কোম্পানীৰ নিচিনা বাগিচা এখন এতিয়া চৰকাৰে ধন আদি দি শ্ৰমিক সকলক সহায় কৰিব লাগিছিল কিন্তু চৰকাৰে এই বিষয়ে চিন্তা কৰা উচিত যে সেই মজুদৰ বিলাক অসমৰে নাগৰিক। এওঁলোক অসমীয়া মানুহ। সেই হিচাবেও তেওঁ লোকক উদ্ধাৰ কৰিব লাগিছিল। আজি দুবছৰে টি কৰপৰেচন নামতহে আছে। তাত চৰকাৰৰ চাৰিজন বিভাগীয় কৰ্ম্মচাৰীক নমিনেট কৰি তাৰ কাৰ্য্যভাৰ চলাইছে আৰু বাকী কেইজনক আজিও নমিনেট কৰিব পৰা নাই। চেয়াৰম্যান, মেনেজিং ডিৰেক্টৰ আদি ডাঙৰ ডাঙৰ পোষ্ট তৈয়াৰ কৰি দৰমহা দি থাকিলেও জনসাধাৰণৰ টকা খৰচ কৰাৰ বাহিৰে আন একো কাম হোৱা নাই। সম্পূৰ্ণকৈ বোৰ্ডখন গঠন কৰিব লাগে স্কুলবোৰ্ড বিলাক গঠন কৰি যেনেকৈ স্কুলবিলাক চলোৱা হয় ঠিক তেনেকৈ চাহ বাগানৰ সম্পৰ্কতো বোৰ্ডখন সম্পূৰ্ণকৈ গঠন কৰি ভৱিষ্যতৰ নিগক টীয়া বাগিচা বিলাক হাতত লৈ আগবঢ়াই দিয়াৰ কাৰণ মই আশা ৰাখিছো। অসমৰ চাহ বাগিচাৰ বনুৱাৰ সম্পৰ্কে দুই এজন সদস্যৰ বাহিৰে কোনোৱে এষাৰ মাত নামাতে। এই বনুৱা সকলৰ শিক্ষা সম্পৰ্কে যি ব্যৱস্থা লব লাগিছিল সেইটো আজিলৈকে লোৱা হোৱা নাই। চাহ বাগিচাত যিবিলাক প্ৰাইমাৰী স্কুল আছে সেই বিলাক চৰকাৰৰ হাতলৈ অতি সোনকালে আনিব লাগে। যাতে তাত চৰকাৰী পাঠ্যক্ৰম, নীতি নিয়ম চলিব পাৰে। ছাত্ৰ-ছাত্ৰী সকলে যাতে পঢ়াৰ সুবিধা পায়। আগতেও মাত্ৰ কাচাৰ আৰু শিৱসাগৰৰ স্কুল খিনিহে চৰকাৰৰ হাতত ললে। কিন্তু বাকী বিলাক জিলাৰ চাহ বাগানৰ স্কুল চৰকাৰে হাতলৈ অনা নাই। এতিয়া কথা হৈছে যদি আনে সকলো বিলাক জিলাৰে প্ৰাইমাৰী স্কুল চৰকাৰে নিজৰ হাতলৈ আনক নহলে যি দুখন জিলাৰ

প্ৰাইমাৰী চাহ বাগানৰ স্কুল চৰকাৰে হাতলৈ আনিছে সেই বিলাকো এৰি দিব লাগে। একে নীতিকেই সকলো বাগিচাতেই প্ৰয়োগ কৰিব লাগে। এই বিষয়ে মই মুখ্যমন্ত্ৰীকো বাৰে বাৰে কৈছো কিন্তু কোনো ফল ধৰা নাই। যি হওক এতিয়াও এই চাহ বাগিচাৰ প্ৰাইমাৰী স্কুল বিলাক সোনকালে চৰকাৰৰ হাতলৈ আনিব লাগে বুলি মই অনুৰোধ কৰিছো। নহলে আগৰ এগ্ৰিমেণ্ট কেনচেল কৰি সকলো বিলাক এৰি দিব লাগে। মোৰ সমষ্টিৰ সৰু পথাৰ আৰু বৰ পথাৰ এৰিয়াতো বেছি ৰকমে উৎপাদন হয় ইয়াৰ প্ৰমাণ চৰকাৰৰ সংগ্ৰহ কাৰ্য্যতেই ওলাই পৰে। কিন্তু এই অঞ্চল বিলাক বৰ খৰাং ঠাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা—মহোদয়, মই এটা কথালৈ আপোনাৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিছো যে মাননীয় সদস্যই কিছুমান গুৰুত্বপূৰ্ণ কথা কৈ আছে কিন্তু সেই কথা বিল্লাই দিয়াৰ কাৰণে কোনোবা মন্ত্ৰীয়ে সেই কথা বিলাক নোট কৰিছেনে আপুনি চাওক। সেই বিলাকলৈ কোনেও লক্ষ্য কৰা নাই কোনেও লিখি থোৱা নাই। শিক্ষামন্ত্ৰীয়ে কাগজ এখন লৈ দেখুৱাইছে। কিন্তু আপুনি চাওক তাত একো নোট কৰা নাই। যদি সেয়ে এই কথা বিলাক সদনত কোৱাৰ লাভ কি?

অধ্যক্ষ—নোট কৰা বুলি কৈছে।

শ্ৰীহৰগোপাল কৰ্ম্মকাৰ—এই সৰু পথাৰ আৰু বৰপথাৰৰ মাত্ৰ চাৰিটা স্কুলহে খোলা হৈছে আৰু চাৰিওটা চৰকাৰে লৈছে বাকী স্কুল বিলাক লোৱা নাই লোৱা হব হব বুলি কৈ আছে এই বিলাক ললে অকল যে খেতিয়ক ৰাইজৰ হে উপাকৰ হব সেইটো নহয় চৰকাৰো উপকৃত হব।

মই আশা ৰাখিছো যাতে এই সৰু পথাৰ, বৰপথাৰ অঞ্চলত যি লিফট ইৰিকেশ্যন চিচটেম চলি আছে সেইকেইটা ভাল ধৰণে পৰিচালনা কৰি খৰতকীয়া ব্যৱস্থাৰে এটা ক্ৰোপৰ ঠাইত যাতে ৩ টা ক্ৰোপ কৰিব পাৰি তাৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে। তাৰোপৰি তাত আজি ১২।১৪ বছৰে কেইবাটাও দিপটিউবওৱেল অৱহেলিত অৱস্থাত পৰি আছে তাৰ কোনো ফাংশ্যন নাই, সেই কিটা তাতে মামৰে খোৱাৰ উপক্ৰম হৈছে আৰু সেই কিটা টিউবওৱেলৰ লগত অনাহকত ৪ টা মানুহক দৰ্মহা দি বহাই থোৱা হৈছে, মই যোৱা বছৰ এই বিষয়ে কৃষি মন্ত্ৰী দাস

ডাঙৰীয়াক অনুৰোধ জনাওতে তেখেতে কৈছিল যে সেই কিটা যিমা সোনকালে পৰা যায় তুলি অনা হব কিন্তু আজিলৈকে তাত সেইকি টিউবওৱেলৰ পৰা কোনো কাম হোৱা নাই কেৱল ৪ জন মানুহে তা বহি খাই আছে। সেই কিটা টিউবওৱেল তাৰ পৰা তুলি আনি অই ঠাইত লগালে নিশ্চয় তাৰ পৰা বহুতো উপকাৰ হলহেতেন। গতিকে লিফট ইৰিগেশ্যনৰ যোগেদি যাতে ট্ৰিপোল ক্ৰপ কৰি ৰাজ্যখনৰ খা প্ৰচুৰ কৰি তোলাত ইন্ধন যোগায় তাকে কামনা কৰি এই কথা খিনি অৱতাৰণা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডাক্তৰ ৰবীন্দ্ৰ কুমাৰ গোস্বামী—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যম তথা বিত্তমন্ত্ৰী মহোদয়ে কোনো কৰ-কাটল নলাগোৱাকৈ ৰাহী বাজে এখন ডাঙি ধৰিব পৰাতো নিশ্চয় প্ৰশংসনীয়। কিন্তু আমি যদি অল ভালকৈ পৰীক্ষা কৰি চাও তেন্তে আয়-ব্যয়ৰ হিচাবত নতুনত্ব এক দেখিবলৈ নাপাও। আৰু অসমৰ এই আৰ্থিক সংকট অৱস্থাত এ বাজেটত উৎপাদনশীল অৰ্থনীতি এটা গঢ়ি তোলাৰো কোনো সুস্পষ্ট ইঙ্গি নাই। ভৌগলিক দৃষ্টিকোনৰ পৰা সমগ্ৰ উত্তৰ পূৱ অঞ্চলটোৰ উন্নয়নৰ ক্ষেত্ৰত অসমৰ অৰ্থনৈতিক প্ৰগতিৰ যে এটা বিশেষ সম্পৰ্ক আছে তাৰ কোৱা বাহুল্য মাথোন, কিন্তু আজি অসমৰ অৰ্থ নৈতিক প্ৰগতিৰ ক্ষেত্ৰ এক কৰুণ প্ৰতিচ্ছৱিয়ে ফুটি উঠিছে।

অসমত বৰ্দ্ধিত জনসংখ্যাৰ হাবে ৰাজ্যখনৰ অগ্ৰগতিত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। প্ৰত্যেক বছৰে বৃদ্ধি পোৱা নিবনুৱা লোকৰ সংখ্যাই নিবনুৱা সমস্যাটোক জটিল কৰি পেলাইছে। ভূমিহীন আৰু তাকৰীয়া মাটি থকা লোকৰ সংখ্যা বছৰে বছৰে বৃদ্ধি পাই আহিছে। অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ গড় হিচাবত ১৯৬১-১৯৭১ চনৰ দশকটোৰ ৰাষ্ট্ৰীয় বৃদ্ধিৰ হাৰতকৈ ৪০ ভাগ অধিক। ইয়াৰ পৰিপ্ৰেক্ষিতত এই সমস্যাটোৰ বিষয়ে বিশেষকৈ পৰিয়াল পৰিকল্পনা সম্পৰ্কত বাজেটত এটা শব্দও উল্লেখ কৰা নহল।

যোৱা বছৰটোত ৰাজ্যখন এক জটিল খাদ্য সমস্যাৰ সন্মুখীন হৈছিল, সেই সংকট এতিয়াও আঁতৰ হোৱা নাই। ৰাজ্যখনৰ বিভিন্ন অঞ্চলত

এতিয়াও হাজাৰ হাজাৰ লোকে খাদ্যাভাৱত দিন কটাবলগীয়া হৈছে। মুঠ সংগ্ৰহ লক্ষ্য ২১ লাখ কুইণ্টলৰ ঠাইত ১২ লাখ কুইণ্টল ধান সংগ্ৰহ হৈছে। সংগ্ৰহৰ বতৰ ইতিমধ্যে শেষ হৈছে, এতিয়া স্বেচ্ছাই ধান বিক্ৰী কৰা লোকৰ সংখ্যা পূৰ্ব্বতকৈ কমি অহাতো স্বাভাবিক। এতিয়া প্ৰধানকৈ ধান মজুত আছে স্বচ্ছল অৱস্থাৰ লোকৰ হাতত হে। পূৰ্বঘোষিত ব্যৱস্থাৰ এটাই মাত্ৰ বাদ দি অৰ্থাৎ ধনী খেতিয়কৰ ওপৰত লেচী প্ৰবৰ্ত্তন কৰাৰ বাহিৰে চৰকাৰে এতিয়ালৈকে সকলো ব্যৱস্থা গ্ৰহণ কৰিলে। এই ব্যৱস্থাকো মই কাৰ্য্যকৰী কৰিবলৈ চৰকাৰক আহ্বান জনাও।

বহুতো দুখীয়া খেতিয়কে চৰকাৰী ভড়ালত ধান জমা দিব পৰা নাই তেওঁলোকৰ ধান পথাৰতেই বিক্ৰী হৈ গৈছে। বিপদৰ দিনত ধানৰ যোগান দি বেপাৰী সকলে এই সকল খেতিয়কক আগবে পৰাই অৰ্থাত দাস কৰি ৰাখিছে। যি সকল খেতিয়কৰ পৰা এইদৰে আগধন দি বেপাৰীয়ে আগতেই ধান কিনি ৰাখিছে সেই সকল খেতিয়কে চৰকাৰে বান্ধি দিয়া দামতকৈ বেচি দাম পোৱা নাই। সমবায় বা চৰকাৰৰ আন কোনো বিভাগেও সময়মতে খেতিয়কক প্ৰয়োজনীয় নগদ ধান দি সহায় কৰিব পৰা নাই। ফলত এই খেতিয়কৰ উৎপন্ন ধান মজুতদাৰৰ ভড়ালত সোমাল, অভাৱৰ সময়ত এই সকল লোকেই মুকলি বজাৰত ধান-চাউল কিনি খাব লাগিব, তাৰ কাৰণে তেওঁলোকে পুনৰ ধাৰ লব অৰ্থাৎ এই সকল কৃষকৰ ঋণ গ্ৰস্ততা দুগুণে বৃদ্ধি পাব। সময় থাকোতেই যদি ব্যৱস্থা লোৱা নহয় তেনেহলে ঋণ গ্ৰস্ততাৰ দুষ্টচক্ৰ বা ভিচিয়াচ চাইকোলত সোমাই এই সকল খেতিয়কৰ অৱস্থা আৰু শোচনীয় হৈ পৰিব।

সৰ্ব্বসাধাৰণ ৰাইজৰ নিত্যব্যৱহাৰ্য্য সামগ্ৰী সমূহ যেনে নিমখ, দাল কেৰাচিন, ছাত্ৰ-ছাত্ৰীৰ কাগজ-কিতাপ, মোটা কাপোৰ, জাৰৰ কম্বল আদি চৰকাৰী নিয়ন্ত্ৰণলৈ আনি এই সামগ্ৰী সমূহৰ ক্ষেত্ৰতো যোগানৰ এক নিশ্চিত ব্যৱস্থা লব। সুলভ মূল্যত বয়বস্তুৰ যোগান ধৰিলে খেতিয়কেও সকাহ পাব আৰু চৰকাৰেও খেতিয়ক সকলৰ পৰা স্বেচ্ছাপ্ৰণোদিত সাহায্য লাভ কৰিব।

তাকৰীয়া ধান-চাউল বিধি সন্মত ভাবে অনাৰ ক্ষেত্ৰত যাতে কোনো জোৰ জুলুম নহয় তাৰ প্ৰতি দৃষ্টি ৰখা দৰকাৰ। কোনো এক

সৎ উদ্দেশ্যে সাধনৰ বাবে কিছুমান নীতি আৰু নিয়মৰ মাজেদি হে কাম কৰা উচিত। যেতিয়াই সেই নীতি নিয়মৰ অপপ্ৰয়োগ হয়, অসৎ ব্যৱহাৰ হয়, আৰু সুযোগ সন্ধানীয়ে তাৰ সুবিধা গ্ৰহণ কৰে তেতিয়াই সেই নীতি নিয়মবোৰ অনীতি, দুৰ্নীতি আৰু জুলুমত পৰিণত হয়, তেনে জুলুমে বেয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি চৰকাৰৰ বাবে সমস্যাৰহে সৃষ্টি কৰিব। চৰকাৰৰ সংগ্ৰহ নীতিৰ এটা অন্যতম দিশ হ'ল যে ব্যক্তিগত লোকক ধান সংগ্ৰহ কৰিবলৈ চৰকাৰে নিয়োগ নকৰে। কিন্তু কোনো কোনো জিলাত সুলভ মূল্যৰ দোকানী সকলক আঢ়ৈ কুইণ্টলকৈ ধান সংগ্ৰহ কৰি সমবায় বোৰক দিবলৈ নিৰ্দেশ দিয়াৰ ফলত ঘোষিত নীতিৰ পৰা আতৰি যোৱা হৈছে।

অধ্যক্ষ মহোদয়, নিয়োগ বিনিময় কেন্দ্ৰই দিয়া নিবনুৱাৰ সঠিক হিচাব নাই। সকলো নিবনুৱাই নাম ৰেজিষ্টাৰ নকৰে। আৰু কৰিলেও ৩ মাহৰ মূৰত পুনৰ দৰ্খাস্ত নকৰিলে নাম কটা যায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে চলোৱা সমীক্ষা অনুযায়ী কেৱল শতকৰা ২৭ জন বনুৱাইহে নিয়োগ বিনিময় কেন্দ্ৰত নাম ৰেজিষ্টাৰী কৰে। অসমৰ মুঠ ১৫৮৮ টা ক্ষুদ্ৰ পঞ্জীভুত কাৰখানাত কেৱল ৭৫ হেজাৰ শ্ৰমিকেহে কৰ্ম্মসংস্থান পাইছে। যদিও অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৪৩ ভাগ মানুহ কাৰ্য্যক্ষম শ্ৰমিক। বিধান সভাৰ নিয়োগ পৰ্য্যালোচনা কমিটিৰ মতে অসমৰ উদ্যোগ সমূহত উচ্চপৰ্য্যায়ৰ চাকৰিৰ ক্ষেত্ৰত শতকৰা ৮৩ জনেই অসমৰ বাহিৰৰ লোক। অসম চৰকাৰে নিজৰ উদ্যোগ নীতি ঘোষণা কৰিছিল ১৯৬৮ চনত। তাৰ পিচত অৱস্থাৰ নানা পৰিবৰ্ত্তন হ'ল। নিবনুৱা সমস্যা অভাৱনীয় ভাবে বৃদ্ধি পালে, কিন্তু পৰিবৰ্ত্তিত অৱস্থাৰ লগত খাপ খুৱাই উদ্যোগীক নীতি সজনি কৰা হোৱা নাই। ১৯৬৮ চনত সন্নিবিষ্ট ১৪ দফীয়া উদ্যোগ নীতিত অসমত উদ্যোগ স্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ চৰ্ত্ত আগবঢ়াইছিল।

১। উদ্যোগ সমূহে থলুৱা লোকক নিয়োগ কৰিব লাগিব।
২। প্ৰশাসনীয় আৰু কাৰিকৰী কামৰ বাবে থলুৱা লোকক প্ৰশিক্ষন দিব লাগিব।
৩। জইণ্ট ষ্টক কোম্পানীৰ ক্ষেত্ৰত থলুৱা মূলধন সংলগ্ন কৰিব লাগিব।

এই চৰ্ত্তবোৰ অসমত স্থাপিত কিমানবোৰ উদ্যোগে মানি চলিছে ? যি বোৰে মনা নাই, তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ? অসমত উদ্যোগত থলুৱা লোকক বঞ্চিত কৰা, নিয়োগ বিনিময় কেন্দ্ৰক নজনোৱাকৈ বাহিৰৰ মানুহক অসমৰ উদ্যোগত নিযুক্তি দিয়া, এইবোৰ কাৰ্য চলিয়েই আছে। পশ্চিবঙ্গ চৰকাৰেও .... ....

"The West Bengal Govt. will soon take steps to ensure jobs for local people, in both Government departments as well as private and public sector undertakings. Dr. Gopal Das Nag said these were necessary to correct social and economic imbalance created by the continuous migration of people seeking jobs from outside the State. West Bengal has never allowed itself to be influenced by parochial considerations in such matters. But it could not be denied that the time has come to consider seriously to what extent these facilities for employment can be kept open for outsiders very much to the economic deteriment of the residents of the State".

কিন্তু এই পৰ্য্যন্ত কোনো উদ্যোগপতিৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হোৱা নাই। অসমৰ কেচামাল, অসমৰ বিদ্যুৎতকে ধৰি বিভিন্ন সা-সুবিধাৰে পৰিপুষ্ট হৈ অসমৰ মাটিত প্ৰতিস্থিত উদ্যোগে থলুৱা স্বাৰ্থক আঘাট হনাতো অসমৰ বাইজে কেতিয়াও সহ্য নকৰে। কৃষিকৰ্মত লিপ্ত থকা কৰ্ম্মী সকলক দুটা প্ৰধান ভাগত ভগাব পাৰি। খেতিয়ক আৰু কৃষিজীৱী শ্ৰমিক। খেতিৰ কাম গোটেই বছৰটো ধৰি একেৰাহে একেদৰেই চলি নাথাকে। সেইকাৰণে কৃষিজীৱি শ্ৰমিকসকলৰ সকলোৱেই সম্পূৰ্ণ নিযুক্তি নাপায়। লোক পিয়লৰ তথ্যমতে ১৯৬১ চনৰ মুঠ কৰ্ম্মীৰ শতকৰা ৫.৪ ভাগ কৃষক আৰু ৪ ভাগ কৃষিজীৱি শ্ৰমিক আছিল। কিন্তু ১৯৭১ চনৰ গণনাত এই হাৰ ক্ৰমে ৫৬ আৰু ৯.৩৬৫ ভাগ হয়। গতিকে এই ১০ বছৰৰ

ভিতৰত কৃষকৰ সংখ্যা কমি গৈছে। আৰু আনহাতেদি কৃষিজীৱি শ্ৰমিক বাঢ়ি গৈছে। এহাতেদি বৰ্দ্ধিত জনসংখ্যাৰ হেচা আনহাতেদি কৃষিৰ উৎ-পাদন হ্ৰাসে বানপানী আদিৰ কাৰণে অসমৰ কৃষিজীৱি সমাজৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাইছে। এই শ্ৰমিক সকল দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা শতকৰা ৭৫ ভাগ লোকৰ এটা বুজন অংশ।

সেই সকল লোকে শিক্ষা, স্বাস্থ্য, খোৱাপানী, বাসস্থান আদিৰ দৰে প্ৰাথমিক তথা সৰ্ব্বনিম্ন অসুবিধা বোৰৰ পৰা বঞ্চিত হৈ আছে। ভাৰত চৰকাৰৰ কৃষিজীৱি শ্ৰমিকৰ অনুসন্ধান সমিতিৰ তথ্য মতে এই সকল শ্ৰমিকৰ ১৯৫৬-৫৭ চনত বছেৰেকীয়া গড় আয় আছিল, ৭৫৪ টকা আৰু বছেৰেকীয়া খৰচ আছিল, ১০৪৩ টকা। অৰ্থাৎ কৃষিজীৱি শ্ৰমিকৰ বাজেটখন সদায়ে ঘাটি বাজেট। নিযুক্তিৰ অভাৱ নাইবা স্থায়ী বা সম্পুৰ্ণ নিযুক্তিৰ অভাৱত এই সকলো লোকে জীয়াই থাকিবলৈ আনৰ পৰা ধাৰ লব লাগে। গ্ৰামীন ঋণগ্ৰস্ততা বা rural indebtedness ৰ এইটোৱেই প্ৰধান কাৰণ। যোৰহাটৰ কৃষি অৰ্থনীতি গৱেষণা কেন্দ্ৰই চোলোৱা এটা সমীক্ষা মতে এজন খেতিয়ক বছৰটোত গড়ে ২৭০ দিনহে খেতিত নিয়োজিত হৈ থাকে। অৰ্থাৎ বছৰটোৰ প্ৰায় ১০০ দিনেই এই কৃষক সকল কৰ্মহীন হৈ থাকে। ৰাজস্থান বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীৰাজকৃষ্ণৰ মতে বৰ্তমান অসমৰ গ্ৰামাঞ্চলৰ প্ৰায় ৩২ লাখ লোকে মুঠ জনসংখ্যাৰ শতকৰা ২৭ ভাগ নিবনুৱা আৰু অৰ্দ্ধ নিবনুৱা হৈ দিন কটাইছে।

অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান দেশ। ৰাজ্যিক আয়ৰ শতকৰা ৪৮.৮ শতাংশ কৃষিৰ পৰা আহে। সেই বুলি ৰাজ্যখনৰ কৃষি উৎপাদন পৰিস্থিতি সন্তোষজনক নহয়। ১৯৭৪-৭৫ চনৰ ভাৰত চৰকাৰৰ ইকনমিক চাৰ্ভেৰ পৃষ্ঠা ৬৪ ত উল্লেখ কৰা হৈছে যে অসমত ১৯৬৮-৬৯ চনত ধান উৎপাদন হৈছিল ২২ লাখ ৫০ হাজাৰ টন আৰু ১৯৭৩-৭৪ চনত ই কমি হ'লগৈ ২০ লাখ ৬৬ হেজাৰ টন। ১৯৬৮-৬৯ চনত মুঠ খাদ্য শস্যৰ উৎপাদন আছিল ২৩ লাখ ৫ হাজাৰ টন আৰু ১৯৭৩-৭৪ চনত কমি পেলাই হ'লগৈ একৈশ লাখ একসত্তৰ হাজাৰ টন। এটা সময়ত ধান জাতীয় খাদ্য অসমে ৰপ্তানীও কৰিছিল। কিন্তু বাকীবোৰৰ

ক্ষেত্ৰত এই ৰাজ্যখন আগৰে পৰাই পৰমুখাপেক্ষী আছিল। অসমে বছৰি একাশী কোটি টকা মূল্যৰ মাহজাতীয় সামগ্ৰী, এশ ছিয়ানব্বৈ কোটি টকা মূল্যৰ তেলগুটি আৰু উনত্ৰিশ দশমিক পয়সত্তৰ কোটি টকা মূল্যৰ চেনী আমদানী কৰে। কৃষি অৰ্থনীতিত বাৰ্ষিক ঘাটি বছৰি জনমূৰি ১৯৩.৫০ টকা হয়। ১৯৫০-৫১ চনত অসমৰ খাদ্য উৎপাদন হৈছিল জনমূৰি ১৬৯ কিলোগ্ৰাম কুৰি বছৰৰ মূৰত তাৰ পৰিমান হ'ল জনমুৰি ১৩২ কিলো। ১৯৫০-৫১ চনৰ পৰা ১৯৭০-৭১ চনলৈ এই সময়ছোৱাৰ ভিতৰত অসমত কৃষিজাত সামগ্ৰীৰ উৎপাদন শতকৰা ৩০.৪ শতাংশ বৃদ্ধি পাইছে। আন-হাতেদি সৰ্ব্বভাৰতীয় বৃদ্ধিৰ হাৰ হ'ল ৮৬.৭ শতাংশহে। অসমৰ যি খিনি বৃদ্ধি পাইছে সেইয়াও খেতিৰ পৰিমাণ সাতাইশ শতাংশ বৃদ্ধি হোৱাৰ কাৰণেহে। কৃষিৰ আধুনিকীকৰণৰ কাৰণে নহয়। অসমত খেতিৰ প্ৰতি হেক্টৰ মাটিত তিনি দশমিক এক কিলো গ্ৰাম সাৰ প্ৰয়োগ হয় আনহাতে সৰ্ব্ব ভাৰতীয় হাৰ হ'ল দহ দশমিক পয়সত্তৰ কিলোগ্ৰাম। অসমৰ মুঠ শস্যক্ষেত্ৰ হৈছে ২৩.৭১ লাখ হেক্টৰ। চতুৰ্থ পৰিকল্পনাৰ শেষলৈকে ৩ লাখ হেক্টৰ শস্যক্ষেত্ৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। এই পৰিমাণ ৰাজ্যৰ মুঠ কৃষি ক্ষেত্ৰৰ শতকৰা মাথো ১২.৭ ভাগ। জলসিঞ্চনৰ বাবে বিদ্যুৎ যোগান অতিশয় প্ৰয়োজনীয়। কিন্তু অসমত মুঠ বিদ্যুৎ শক্তিৰ শতকৰা ४ ০.১ ভাগহে ইয়াৰ বাবদ ব্যৱহৃত হয়। এতিয়ালৈকে অসমৰ শতকৰা ভাগ গাওঁলৈহে বিজুলীৰ যোগান কৰা হৈছে ৰাজ্যখনত বছৰি বিদ্যুতৰ জনমূৰি ব্যৱহাৰ হ'ল ২২ কিলোৱাট আৰু সৰ্ব্বভাৰতীয় হাৰ হ'ল ৯২ কিলোৱাট।

১৯৭৩ চনৰ পৰা ১৯৭৪ চনৰ ভিতৰত গোটেই দেশতে বেংকত ৭১০০ টা নতুন শাখা খোলা হয়। এই বৃদ্ধিৰ ১.৩ শতাংশ শাখাহে অসমত খোলা হয়। অসমত গড় হিচাবে প্ৰতি ৯৫ হেজাৰ লোকৰ মাজত এটা বেংক কিন্তু সৰ্ব্বভাৰতীয় হাৰ হ'ল ৪০ হাজাৰৰ মাজত এটা বেংক। পিচে গাওঁ পৰ্য্যায়ৰ হিচাব ধৰিলে অসমত গড়ে গাওঁ অঞ্চলত বেংকে আগবঢ়োৱা সা-সুবিধা তেনেই নগণ্য, গড় হিচাবে ২ লাখ লোকৰ মাজত এটা বেংক। কি কৃষি কি উদ্যোগ কতো এই ৰাজ্যৰ লোকে বেংকৰ পৰা আৱশ্যকীয় পৰিমাণে সা-সুবিধা পোৱা নাই।

কৃষক সকলৰ আৱশ্যক অনুযায়ী খেতিৰ মাটি নাই। যদি ১৫ বিঘা মাটিকেই এটা পৰিয়ালক অৰ্থনৈতিক ভাৱে নিম্নতম গোট বুলি ধৰা হয় তেনেহলে অসমৰ শতকৰা ৭৫ ভাগ কৃষকেই ইয়াতকৈ কম মাটিৰ গৰাকী। কেৱল যে মাটিৰ পৰিমাণেই কম সেইটো নহয়, মাটি বিলাক সাধাৰণতে সৰু সৰু অংশত বিভক্ত। শতকৰা ৭৮ ভাগ ক্ষুদ্ৰ আৰু ক্ষুদ্ৰতম কৃষকৰ উন্নতি সাধিলেহে ৰাজ্যখনত অৰ্থনৈতিক উন্নতি সাধন কৰা হব। ক্ষুদ্ৰ আৰু ক্ষুদ্ৰতম খেতিয়কেও নিজৰ সৰু পথাৰখনত ব্যৱসায়ীক ভিত্তিৰে আধুনিক পদ্ধতিত খেতি কৰি নিজৰ লগতে দেশৰ সম্পদ কেনেকৈ বৃদ্ধি কৰিব পাৰে সেইটোৱেই হ'ল আমাৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান। কিন্তু এই ক্ষেত্ৰত এতিয়ালৈকে আমি সফলতা লাভ কৰিব পৰা নাই। তাৰ কাৰণ হ'ল খেতিয়ক ৰাইজৰ লগত ঘনিষ্ঠ সংযোগ ৰখাৰ বাবে যিকেইটা বিভাগ আছে সেই কেইটা বিভাগৰ মাজত কোনো সমন্বয় নাই আৰু এই বিভাগবোৰে বিক্ষিপ্ত বিচ্ছিন্ন ভাৱে কাম কৰি আছে। সেই কাৰণে মোৰ পৰামৰ্শ হ'ল একোটা একোটা অঞ্চলত কৃষিৰ লগত জড়িত থকা সকলো সংস্থা আৰু ব্যৱস্থাপনা একেলগ কৰি আধুনিক পদ্ধতিত খেতি কৰাৰ আঁচনি হাতত লব লাগে। অৰ্থাৎ কনচলিডেটেড এপ্লিকেচন অব অল ইনফ্ৰাষ্ট্ৰাকচাৰেল ফেচিলিটিজ এৰিয়া অব ৰেজিয়নওৱাইজ। যেতিয়ালৈকে এই কাম নকৰো তেতিয়ালৈকে অসমত সেউজ বিপ্লৱ সম্ভৱপৰ নহয়।

১৯৭৫-৭৬ চনৰ এক্সপ্লেনেটৰি মেমোৰেণ্ডাম অব দি বাজেট অব দি চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ পৃষ্ঠা ১৯৩ ত উল্লেখ কৰিছে যে দেশৰ বিভিন্ন অঞ্চলত স্মল ফাৰ্মাৰ্চ ডেভেলাপমেণ্ট এজেন্সি সমূহক চৰকাৰে ১৯৭৩-৭৪ চনত অনুদান দিছিল। তাৰ উদ্দেশ্য আছিল টু প্ৰভাইড অৰগেনাইজড চাৰ্ভিচেচ এণ্ড চাপ্লাই অব ইন্পিউটচ এণ্ড এৰেঞ্জ ফৰ ক্ৰেডিট অব স্মল ফাৰ্মাৰ্চ। ইয়াত কিন্তু অসমৰ কতো নাম উল্লেখ নাই। অথচ মনিপুৰ, মেঘালয়, নগালেণ্ড এইকেইখনে এই অনুদান পাইছে।

বাজেটৰ ঘাটি পুৰাবলৈ বাৰ্ষিক পৰিকল্পনাৰ পৰা তিনিকোটি টকা কৰ্ত্তন কৰা হৈছে। ইয়াৰ ফলত উন্নয়নমূলক আঁচনি সমূহ ব্যাহত হব। কিন্তু আনহাতেদি ঘাটি পুৰাবলৈ নতুন কৰ কাটলৰ থলী নাই।

ৰাজ্যিক আয়ৰ শতাংশ হিচাবে ৰাজহৰ পৰিমাণ ৫'২৩, উৰিষ্যাৰ ৪'১৭ বিহাৰত ৪'৯১। ইয়াৰ পৰা দেখা যায় যে কৰ সামৰ্থ্যৰ পিনৰ পৰা ৰাজ্যিক কৰ প্ৰচেষ্টা শেষ সীমাত আহি পৰিছেহি। সেই কাৰণে নতুন কৰকাটল লগোৱাত কৈ ৰাজহৰ নতুন উৎস আৰু নতুন সম্ভাৱনাহে বিচাৰি উলিয়াব লাগিব। ইয়াৰ কাৰণে অসমৰ উৎপন্ন দ্ৰব্য আৰু খনিজ সম্পদৰ পৰা যাতে ৰাজ্যখনে সুফল লাভ কৰিব পাৰে তাৰ ব্যৱস্থা লব লাগিব।

বনজ সম্পদত অসম অতি চহকী, কিন্তু ১৯৭২-৭৩ চনত ৰাজ্যিক চৰকাৰে অসমৰ বনাঞ্চলৰ পৰা প্ৰতি হেক্টৰত মুঠেই ১৩৩ টকা অৰ্জন কৰিছিল। বিভাগীয় ভিত্তিত মাত্ৰ ৰয়েলিটি লৈ কাঠ বিক্ৰী কৰাৰ ব্যৱস্থা অতি ত্ৰুটিপূৰ্ণ। অসমত বনজ সম্পদ বিক্ৰী কৰিবৰ কাৰণে এটা নিগম স্থাপন কৰা উচিত। বন উদ্যোগ বিলাকৰ সংগঠন আৰু বিকাশৰ যোগেদিও ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে।

কয়লাৰ পৰা তেল তৈয়াৰ কৰা প্ৰকল্প স্থাপন কৰিবলৈ অসমৰ মাৰ্ঘেৰিটা আৰু লিডুৱেই আতি উৎকৃষ্ট বুলি কেন্দ্ৰীয় প্ৰজ্জালক গৱেষণা প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডাঃ লাহিড়ীয়ে অভিমত প্ৰকাশ কৰিছিল। এনে এটা প্ৰকল্প অসমত স্থাপন কৰিবলৈ ব্যৱস্থা কৰা উচিত। অলপতে ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ সভাপতিয়ে পৰামৰ্শ দিছে যে বৰ্তমান যি বিলুপ পৰিমাণৰ প্ৰাকৃতিক গেচ নষ্ট হৈছে তাৰ এক অংশ অসমৰ চাহ বাগিচা সমূহত যোগান ধৰিলে চাহৰ ফেক্টৰী বোৰত প্ৰয়োজন হোৱা ফাৰ্চে তেলৰ প্ৰয়োজনীয়তা কমিব আৰু ইয়াৰ ফলত বিদেশী মুদ্ৰাও ৰাহি হব। প্ৰাকৃতিক গেচক কেচামাল হিচাবে ব্যৱহাৰ কৰি ৰাসায়নিক সাৰ আৰু বিদ্যুৎ আদিও উৎপাদন কৰিব পাৰি। তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ হিচাব মতে বৰ্তমান অসমত প্ৰতি দিনে ৪০ হাজাৰ ঘন মিটাৰ গেচ উৎপাদন হয়। ১৯৭৮-৭৯ চনত প্ৰতিদিনে তিনি লাখ ঘন মিটাৰ গেচ উৎপাদন হব।

আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য যিদৰে বৃদ্ধি পাইছে তাৰ পৰিপ্ৰেক্ষিতত খাৰুৱা তেলৰ ৰয়েলিটিৰ পৰিমাণ প্ৰতি টনত কমেও ৭৫ টকা হোৱা উচিত। তাৰাপৰি তেল এটা ক্ষয়িষ্ণু সম্পদ। এই সম্প্ৰদ ক্ৰমে কমি

আহিব। সেই কাৰণে ইয়াৰ বাবদ অসম চৰকাৰে কনজাৰভেচন ... বা ক্ষতিপূৰণ কৰা দাবী কৰাতো উচিত হব।

অসমত পৰ্য্যাপ্ত পৰিমাণৰ তেল উদঘাটন হব বুলি বিশেষজ্ঞ সকলে কৈছে। সংসদত পেট্ৰলিয়াম বিভাগৰ মন্ত্ৰীয়ে কৈছে যে অসমত পা... নিযুত খাৰুৱা তেলৰ ঠাইত দহ নিযুত টন হব। বঙ্গাইগাওঁ শোধনাগা... আৰু সম্প্ৰসাৰিত গুৱাহাটী শোধনাগাৰত যোগান ধৰাৰ পিচতো অসম... উৎপাদিত হোৱা গোটেইখিনি খাৰুৱাতেল অসমতে শোধন কৰিব লাগি... এইটোৱেই হল অসমৰ ৰাইজৰ দাবী—আমাৰো দাবী।

কিন্তু এটা কথাত যথেষ্ট উদ্বেগ বোধ কৰিছো। বঙ্গাইগাওঁত শো... নাগাৰ সম্পূৰ্ণ হোৱাৰ পিচতো বাৰাউনীলৈ অধিক তেল অৰ্থাৎ বৰ্তমান... দুই নিযুত টনৰ ঠাইত তিনি নিযুত টন খাৰুৱা তেল গৈ থাকিব পা... তাৰ কাৰণে বৰ্তমানে থকা পাইপ লাইনৰ ক্ষমতা বৃদ্ধি কৰিবলৈ অ... ইণ্ডিয়াক পেট্ৰলিয়াম মন্ত্ৰণালয়ে নিৰ্দেশ দিছে। ইয়াৰ নাম দিয়া হৈ... পাইপ লাইন এক্সপানচন ফেজ থ্ৰি। ৭-১২-৭৪ তাৰিখে পৰিকল্পনা আয়োগে... এই কামত অনুমোদন জনাইছে ভাইড চাৰ্কুলাৰ নং এম-১৩০১৬-... তাং ৭-১২-৭৪। এই কাম কাৰ্য্যকৰী কৰোতে বৰ্তমানে থকা পাই... লাইনৰ দাতিতে সমান্তৰাল পাইপ লাইন বহুৱাব লাগিব। তাৰ কাৰণে... প্ৰয়োজনীয় জৰীপ কাৰ্য্য ইতিমধ্যে আৰম্ভ হৈ গৈছে। এই কাম বৰ্তমা... কাজিৰঙাৰ ওচৰত চলি আছে। কিছুদিনৰ পিচত আমাৰ সকলোৰে চকু... আগত এই জৰীপ কাৰ্য্য দিশপুৰতো চলিবহি। খাৰুৱা তেল শোধনৰ বিষয়টো অনুভূতিৰ বিষয় নহয়। অসমৰ ৰাইজৰ কাৰণে এটা জীৱন মৰণৰ সমস্যা। এই বিষয়ে সোনকালে এটা ব্যৱস্থা লবলৈ মই পৰামৰ্শ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীপুষ্পধৰ চলিহা—মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৯৭৫-৭৬ চনৰ যি বাজেট আজি বিধান সভাত দাঙি ধৰিছে তাৰ বাবে মই ওলগ জনাইছো। কিন্তু লগে লগে এই বাজেটখনত চকু ফুৰাই চাই মই চৰকাৰৰ আগত কেইটামান পৰামৰ্শ আগবঢ়াইছো। ইয়াত চকু ফুৰাই চালে দেখিবলৈ পাওঁ যে ইয়াত যিখিনি কৰ-কাটল দিব লগীয়া

হৈছে এই গোটেই থিনি কৰ-কাটল চৰকাৰী কৰ্মচাৰী সকলৰ দৰমহা আৰু দিয়াতেই সম্পূৰ্ণ খৰচ হৈছে আৰু জনহিতকৰ বা জনকল্যাণ মূলক আঁচনিৰ কাৰণে কোনো ব্যৱস্থা নাই। আৰু তাৰ লগে লগে যদিও আমি আজি স্বাধীনতাৰ আঠাইশ বছৰত ভৰি দিছো, তথাপি আমি কোনো প্ৰগতিৰ পথতত আগবাঢ়িব পৰা নাই। আমি অলপ চিন্তা কৰি চালেই দেখিবলৈ পাওঁ যে প্ৰগতিৰ পথত অলপ আগবাঢ়িলেও আঁচনিসমূহ সম্পূৰ্ণ কাৰ্য্যকৰী কৰিব পৰা নাই। চৰকাৰী আঁচনি সমূহ কাৰ্য্যকৰী কৰাত ধিৰ স্থিৰ গতিৰে পদক্ষেপহে কৰা হৈছে, প্ৰকৃততে কাৰ্য্যকৰী কৰা হোৱা নাই। স্বাধীনতাৰ আগৰ বছৰত নিৰানব্বৈ লাখ টকা ধৰা হৈছিল শিক্ষাৰ শিতানত। কিন্তু আজি আঠাইশ বছৰত ভৰি দিয়াৰ পিছতো শিক্ষাৰ ক্ষেত্ৰত কেৱল বিয়াল্লিশ কোটি টকাহে ধাৰ্য্য কৰা হৈছে। কিন্তু এইটো ঠিৰাং কৰা হৈছে যে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ ক্ষেত্ৰত প্ৰায় ষাঠি কোটি টকা খৰচ হব। কিন্তু যদিও আমি প্ৰশাসনত জনসাধাৰণৰ উন্নয়ন মূলক কামৰ কাৰণে আঁচনি হাতত লৈছো তথাপি আমি প্ৰশাসনত মামৰে ধৰা বুলি কব লাগিব। শাসন যন্ত্ৰত যিবিলাক নতুন আঁচনি নিৰ্ধাৰণ কৰিছে তাক কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে সকলোবোৰ আঁচনি অথলে গৈছে। এই বিষয়ে বিধান সভাৰ কেইবাজনো সদস্যই পৰামৰ্শ আগবঢ়াইছে। আমাৰ যিবিলাক পৰিকল্পনা আছে তাত চৰকাৰৰ সম্পূৰ্ণ ঐকান্তিকতা থকা স্বত্তেও কৰ্ম্মকৰ্ত্তা সকলৰ অৱহেলাৰ কাৰণেই হওক বা হেমাহিৰ কাৰণেই হওক এই আঁচনি বিলাক কাৰ্য্যকৰী হৈ উঠা নাই। বক্তৃতা প্ৰসঙ্গত ইয়াৰ কেইটামান দৃষ্টান্ত দাঙি ধৰিম। প্ৰথমতে এইটোকথাই ধৰা হওক যে আজি আমাৰ দেশত অনাহাৰত মানুহৰ মৃত্যু হৈছে বুলি আলোচনা কৰা হৈছে। চৰকাৰে যি ধান সংগ্ৰহ নীতি গ্ৰহণ কৰিছে তাৰ দ্বাৰা বিপদৰ সময়ত বাইজক মুঠি খুৱাই জীয়াই ৰাখিবলৈ ব্যৱস্থা কৰাৰ কাৰণে কিন্তু তাকে কৰিবলৈ যাওঁতেই চৰকাৰে সমলোচনাৰ সন্মুখীন হৈছে। ইয়াত কিছু পৰিমাণে সত্যতাও নথকা নহয়। এতিয়া আমাৰ গাৱে ভূঞে দেখা পাওঁ যে দুখীয়া খেতিয়ক সকলে বছৰৰ আৰম্ভণীতেই

ধান বিক্ৰী কৰিছে আনকি আঘোনৰ পৰা ধান বিক্ৰী কৰিছে ল'ৰা ছোৱালী ভৰণ পোষণৰ বাবে, কিতাপ পত্ৰ কিনিবৰ বাবে কিন্তু তাৰ ঢুমাহ পিচতেই খাবলৈ ধান কিনিব লগীয়া হৈছে। কিন্তু ধনী খেতিয়ক সকলে ভৰালত ধান মজুত কৰি আছে আৰু যেতিয়া ধানৰ দাম মোনে ৬০-৭০ টকা হব তেতিয়াহে বিক্ৰী কৰিব। গতিকে এই ক্ষেত্ৰত সদায়ে চৰকাৰ সমালোচনাৰ সন্মুখীন হৈ আহিছে। চৰকাৰে যেতিয়া ধান সংগ্ৰহ কৰে তেতিয়া ৩০-৪০ টকা মোন দৰত কিনিব আৰু যেতিয়া খাবলৈ ঢুখীয়া খেতিয়কৰ ভৰালত ধান নাথাকিব তেতিয়া তেওঁলোকে কেজিত ৩·০০ টকা বা ৩·৫০ টকাকৈ কিনিব লগীয়া হৈছে। ইয়াৰ কাৰণে যাতে ঢুখীয়া খেতিয়কশ্ৰেণী অসুবিধাত নপৰে আৰু ধনীক চামে যাতে সংগ্ৰহ কৰি ৰাখিব নোৱাৰে তাৰ কাৰণে কটকটিয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেই কাৰণে এই কথাৰ প্ৰতি চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষন কৰিছো। এই সংগ্ৰহ নীতিৰ দ্বাৰা যাতে ঢুখীয়া খেতিয়কক বিপদৰ সময়ত সহায় কৰিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক এই নীতিৰ কাৰ্য্যকৰী কৰণত কঠোৰ ব্যৱস্থা অৱলম্বন কৰিবলৈ অনুৰোধ জনাওঁ।

আটাইতকৈ ডাঙৰ কথা হৈছে ৰবি শস্যৰ কথা। এই ৰবি শস্য কৰিবলৈ যাওতে আমি খেতিয়ক সকলৰ ওচৰত নানা প্ৰশ্ন সন্মুখীন হব লগা হৈছো। চৰকাৰে খেতিয়কৰ পৰা ধান কিনিছে ৩০ টকা মোনে আৰু চৰকাৰে খেতিয়কক আলু বীজ দিছে মোনে ১২০ টকাকৈ। উজনি অসমত এই অৱস্থা হৈছে। মই এই বিষয়ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই আশা কৰো এই বিষয়ত কৃষি মন্ত্ৰীয়ে সুব্যৱস্থা কৰি খেতিয়কক সকাহ দিব।

মই এতিয়া গড়কাপ্তানি বিভাগৰ বিষয়ে দুটামান কথা কব বিচাৰিছো। আমি পঞ্চ পাচবছৰীয়া পৰিকল্পনাৰ আঁচনি লৈছো কিন্তু গত চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাৰ আচনি বিলাক সম্পূৰ্ণ হলনে? ৪ৰ্থ পৰিকল্পনাত কৰিবলৈ লোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তা বিলাক আধৰুৱা হৈ ৰল। যোৱা ৪ৰ্থ পৰিকল্পনাৰ কাৰণে আমাৰ ৰোড আৰু

কমিউনিকেচন বৰ্ডৰ চাৰ্জত কমিটি কৰিছিল। চতুৰ্থ পৰিকল্পনাৰ কাম বিলাক চাবৰ কাৰণে তিনিটা জোন কৰিছিল। প্ৰথম জোনটো হল তিনিচুকীয়াৰ পৰা নগাৱলৈ আৰু দ্বিতীয় জোনটো হল নগাৱৰ পৰা ধুবুৰীলৈ আৰু তৃতীয় জোনটো হল কাছাৰ জিলাৰ কাৰণে। বিভিন্ন সদস্যৰে গঠিত এই কমিটিয়ে পৰিদৰ্শন কৰিবলৈ যাওতে আচৰিত হৈছো। বিশ্বস্ত সূত্ৰে গম পাইছো শিৱসাগৰ জিলাৰ গড়কাপ্তানি বিভাগৰ এক-জিকিউটিভ-ইঞ্জিনিযাৰ জনে কোনো আইন কানুন নামানি ১২ লাখ টকাৰ ঠিকা বিতৰণ কৰিছে। কোনো টেণ্ডাৰ আৰু কটেচন কল কৰা নাই। মই আৰু বিধান সভাৰ সদস্য শ্ৰীফু কন, এচিচটেণ্ট, চিফ ইঞ্জিনিয়ৰে আৰু চোপাৰেনটেণ্ডিং ইঞ্জিনিয়াৰ এই বিষয়ে জানো। সেই সময়ত গড় কাপ্তানি মন্ত্ৰীক এই কথাটো টেলিগ্ৰাম যোগে তেওঁক বদলি কৰিছে। যি ১২ লাখ টকাৰ শিলগুটি লোহা, দলংৰ কাঠ নট আদি কিনিবৰ কাৰণে ১২ লাখ টকা ১২ জন ঠিকাদাৰৰ নামত কাগজে কলমে বস্তু থাকিলেও আচলতে ৩১ মাৰ্চত বিল ড্ৰ কৰা হৈছে। আমি সকলোৱে এই কাণ্ড দেখি আচৰিত মানিছো। মই বিশ্বাস কৰা নাছিলো, কাগজে কলমে দেখি আচৰিত হৈছো। তেতিয়া নিৰ্দ্দেশ দিয়া হল যে নথিপত্ৰ চিজ কৰা হওক। চুপাৰিটেণ্ডিং ইঞ্জিনিয়াৰে ৰিপোৰ্ট দিছে আৰু সেই ৰিপোৰ্ট কমিটিয়ে ৰিকমেণ্ডেচন কৰি দিছে। এই ৰিপোৰ্ট বিভাগীয় মন্ত্ৰণালয়লৈ পঠোৱা হৈছে। মই জানিব বিচাৰিছো এই ১২ লাখ টকা লুণ্ঠন কৰা অফিচাৰ জনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হল, আৰু কমিটিৰ ৰিকমেণ্ডে-চনৰ ওপৰত কি ব্যৱস্থা ললে।

মই শিক্ষাবিভাগৰ বিষয়ে দুটামান কথা কব বিচাৰিছো। এই শিক্ষাবিভাগে আমাৰ নাকটো ৰাখিছে। এই বছৰ শিক্ষাবিভাগত ৪২ কোটি টকা ধৰিছে। এই তিনিবছৰৰ ভিতৰত যদি কিবা অলপ দিব পাৰিছো এই শিক্ষাবিভাগৰ পৰা দিব পাৰিছো। বাকী বিভাগে ৰাইজৰ কাম কৰিছে বুলি ৰাইজে কেতিয়াও কব নোৱাৰে। আগৰ দিনত নতুন নতুন বস্তু দিছিলো নতুন ব্যৱস্থা দিছিলো। মন্ত্ৰী সকলক কিবা কথা কলে কথা ৰজিছিল। অধ্যক্ষ মহোদয়, জাপিসজীয়া তামুলীচিগা

গড়কাপ্তানি ৰাস্তাটোত খহনীয়া হৈছে। মই ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীক তিনিবছৰ আগতে এইটো দেখুৱাইছিলো। তেতিয়া তেখেতে কৈছিল প্ৰটেকচন ওৱৰ্কৰ ব্যৱস্থা কৰিবলৈ প্লেন এষ্টিমেণ্টৰ ব্যৱস্থা কৰিব লাগে। মই সিদিনা নতুন ই এণ্ড ডি মন্ত্ৰীক এই বিষয়ে কোৱাত কলে গড়কাপ্তানি ৰাস্তাৰ প্ৰটেকচন ওৱৰ্ক নহয়। শিমলুগুৰি, কুজিবালিত কেনেকৈ বান্ধ নোহোৱাকৈ প্ৰটেকচন ওৱৰ্ক হৈছে? এই ধৰণে হুতলীয়া কথা কিয় কয়?

আমগুৰী টাউনত এখন ডিচপেন্সেৰী নাই। তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী শ্ৰীদৈৱণ ডাঙৰীয়াই এখন ডিচপেন্সেৰী নথকাত আচৰিত হৈছিল। তেখেতে টাউন কমিটিৰ চেয়াৰমেনক লগ ধৰি কৈছিল আপুনি কিমান মাটি দিব পাৰিব?

তাৰ টাউন কমিটিৰ চেয়াৰমেনে ১০।১৫ বিঘা মাটি দিলে, পি ডব্লিউ ডি য়ে এষ্টিমেট আহিল, তাৰ পিচত কলে ডিচপেন্সৰি নহয়। আজি নতুন স্বাস্থ্য মন্ত্ৰীয়ে কৈছে যে ডিচপেন্সৰিৰ কাৰণে টকা নাই। আজি এই চৰকাৰৰ তলত এই শাসন ব্যৱস্থাৰ তলত আমাৰ এই অৱস্থা। সেই কাৰণে মই যদি আগৰ নথি পত্ৰবিলাক আনো তেন্তে অধ্যক্ষ মহোদয়, নিজৰ আদেশ অমান্য কৰাৰ কাৰণে এই চৰকাৰে কৈফিয়ৎ দিব লাগিব আৰু বিধান সভাৰ আস্থা ভঙ্গৰ কাৰণে প্ৰস্তাৱ লব লাগিব।

তাৰ পিচত, আমাৰ পুৰণি কৃতি স্তম্ভবোৰৰ সংৰক্ষণৰ বিষয়ে মই দুটামান কথা কওঁ। শিৱসাগৰৰ ন পুখুৰী আৰু পুৰণি পুখুৰীৰ পাৰৰ ঘৰবিলাক এতিয়া পাইপ লাইন আৰু অ' এন, জি, চিৰ ব্যৱসায় প্ৰতিষ্ঠানত পৰিণত হৈছে। সেইকাৰণে মই এই পুৰণি কৃতি স্তম্ভবিলাক সংৰক্ষণ কৰাৰ কাৰণে আশু ব্যৱস্থা কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো।

শেষত মই শিক্ষাৰ শিতানত চৰকাৰৰ ওচৰত এটা কথা উত্থাপন কৰিব খুজিছো। সেইটো হৈছে এজন এডিচনেল ডি আই এ যে পাচশৰো ওপৰৰ। শিক্ষকক ক্ৰেফট্ টিচাৰ, এডিচনেল টিচাৰ আদি কামত নিয়োগ

কৰিছে নিজৰ স্বাৰ্থৰ খাটিবত । এই কথা মই আৰু আমাৰ শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈয়ে বিত্ত মন্ত্ৰীৰ ওচৰত উত্থাপন কৰিছো । অধ্যক্ষ মহোদয়, তেখেতে কি ব্যৱস্থা লয় সেইটো আমি জানিবলৈ আশা কৰিছো । শিৱসাগৰৰ হস্পিতালৰ কথা অধ্যক্ষ মহোদয় আপুনি জানে আৰু আমাৰ বিধান সভাৰ সদস্য সকল গলে দেখা পাব যে সেই হস্পিতাল নৰকৰ তুল্য বুলি কলেও অতিৰঞ্জিত নহয় । আনহাতে শিৱসাগৰৰ কৰ্ট বিল্ডিংটো আজি ছবছৰেও কৰিব পৰা নাই পেলাই থৈছে । শেহতীয়া পৰিকল্পনাতো শেষ কৰিব পৰা নাই, অৰ্থাৎ মই এইটোকে কবলৈ বিচাৰিছো যে যোৱা তিনি বছৰে এই চৰকাৰে একো কাম কৰিব পৰা নাই । এটা কামেই মাত্ৰ কৰি দেখুৱাইছে সেইটো হৈছে আমাৰ ৰাজ্যখনৰ অস্থায়ী ৰাজধানী নিৰ্মাণৰ কাম । তাৰ বাহিৰে আৰু কোনো কাৰ্য্যকৰী কাম কৰি দেখুৱাব পৰা নাই ।

মই আৰু দীঘলীয়া নকৰো, মাত্ৰ কওঁ যে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোৱা এটা বছৰত চৰকাৰে কোনো ৰাস্তাঘাটৰ কাম কৰিব নোৱাৰিলে, বাকী দুটা বছৰত কিমান আগবাঢ়ে কোৱা টান । যদি সেয়াই হয় তেন্তে আমি এই বিধান সভাত বহি সময় নষ্ট কৰাৰ কোনো প্ৰয়োজন নাই । মই এই বিষয়ত চৰকাৰক পুনৰ সকিয়াই দিছো যে অহা এপ্ৰিলৰ পৰা যাতে আমাৰ চৰকাৰে বাকী থকা বছৰ দুটাত তৎপৰতাৰে কাম কৰি যায় ।

শ্ৰীৰাম চন্দ্ৰ শৰ্মা—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট বক্তৃতা দিলে সি মাথো মন্ত্ৰী সকলে আৰু এম, এল, এ, সকলে কেনেকৈ গাদী ৰক্ষা কৰিব পাৰে তাৰ বাবেহে, জনসাধাৰণৰ স্বাৰ্থৰ হকে তাত একো নাই । বেতনভোগী চাকৰীয়ালৰ চাকৰী ৰক্ষা আৰু মন্ত্ৰী, এম, এল, এ, সকলৰ গাদী ৰক্ষা কৰাই হৈছে এই বাজেটৰ তাৎপৰ্য্য ।

অধ্যক্ষ মহোদয়, বাজেটখন যদি এবাৰ চাওঁ তেতিয়া আমি নিজে নিজেই ভাবো যে আমি ইয়ালৈ কিয় আহিছো, কাৰ কাৰণে মাতিছো ? আজি আমাৰ দেশৰ নিবনুৱা সমস্যাই হৈছে আটাইতকৈ ডাঙৰ সমস্যা, কিন্তু মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাত নিবনুৱা সমস্যাৰ সমাধানৰ কোনো উল্লেখ

নাই। কৃষক শ্রেণীৰ সুবিধাৰ কাৰণে ইয়াত উল্লেখ কৰা হোৱা নাই বাগানৰ শ্ৰমিক তথা প্ৰাক্তন শ্ৰমিক সকলৰ কোনো কথাই এই বাজেট বক্তৃতাত নাই।

উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে শতকৰা ৯০ জন মানুহেই গাঁৱত বাস কৰে আৰু যিবোৰ অতি পিচপৰা গাওঁ যৰ মানুহে অতি পৰিশ্ৰম কৰে যিসকল মানুহে দেশৰ অৰ্থনীতিক গঢ় দিছে সেইসকল মানুহৰ কাৰণে এই বাজেট বক্তৃতাত অকনো ঠাই নাই। সেইকাৰণে আমি এই বাজেটখন পঢ়ি হতাশ আৰু নিৰাশ হৈছো। এই বাজেটখন প্ৰকাশ হোৱাৰ লগে লগে নিশ্চয় অসমৰ জনসাধাৰণো এই ধৰণেৰেই হতাশ আৰু নিৰাশ হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে এই দেশৰ শতকৰা ৬০ ভাগ মানুহৰ মাটি নাই। ভূমিহীন মানুহক মাটি দি কৃষক সকলক সহায় কৰাৰ বাবে কোনো কথাই এই বাজেটখনত ঠাই পোৱা নাই। আজি যদি দেশৰ কৃষক শ্ৰেণীৰ কাৰণে কোনো কথা ভবা নাযায়, তেওঁলোকৰ যদি উন্নতি কৰা নাযায় তেতিয়াহলে দেশৰ অৰ্থনীতি কোনো প্ৰকাৰে আগবাঢ়িব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, এই দেশৰ মাটি সাৰুৱা, এই দেশ শিক্ষিত আৰু আৰু অশিক্ষিত নিবনুৱাই ভৰি পৰিছে, এই দেশখনত নানা ৰকম কেচা বস্তু আছে এই দেশত খনিজ আৰু বনিজ সম্পদ আছে, কিন্তু এই সম্পদ ৰাজি কামত ব্যৱহাৰ কৰি জনসাধাৰণৰ শক্তিৰ কামত লগোৱাৰ কোনো কথা এই বাজেটত উল্লেখ নাই। এই বাজেট জনসাধাৰণৰ বাজেট কেতিয়াও হব নোৱাৰে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে বিভিন্ন সময়ত ভূমিহীন মানুহক মাটি দিবৰ কাৰণে ভূমি আইন, চিলিং আইন কৰা হৈছে কিন্তু এইবোৰ ঘৰৰ চিলিং হৈয়ে থাকিল। যেনেকৈ সৰ্ব্বসাধাৰণ কৃষকৰ ঘৰৰ চিলিং নাথাকে। ডাঙৰ ডাঙৰ লোকৰ হে ঘৰত চিলিং থাকে সেইদৰে এই চিলিং আইনৰ যোগেদি সকলো মানুহেৰ মাটি নাপায়। আৰু তাৰ পিচতো চৰকাৰে মাটি দিয়াৰ ক্ষেত্ৰত এটা ব্যৱস্থা কৰিলে সেইটো হৈছে মাটি দিয়া নিগম। ইয়াৰ জৰিয়তে মাটি দিয়া হব বুলি মানুহক আশা দেখুৱালে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে তেজপুৰত ৰাজ্যিক নিগম বুলি এটা নিগম

কৰা হৈছে। আমাৰ কেইজনমান সদস্য আৰু মন্ত্ৰী গৈ সেই নিগম চাই আহিছেগৈ। সেই নিগমৰ কাৰণে পাচ হেজাৰ বিঘা মাটি ৰখা হৈছে। কিন্তু নিগমৰ সদস্যসকল যাওতে তেওঁলোকক ঘূৰাই পঠোৱা হল, কাৰণ তাৰ গছ-গছনি একো কটা নাই। এতিয়া ফলত তাৰ পৰা কাঠ আদি বিক্ৰী কৰা হৈছে। ইয়াকে দেখি বহুত গাওৰ পৰা মানুহ আহি বনাঞ্চল বেদখল কৰিছে। সেই ভূমিহীন মানুহ বোৰ কোন তাৰ এটা হিচাব চৰকাৰে চলাব নোৱাৰে নে যিবিলাকে বহুত গোপাচাৰ বনাঞ্চলৰ মাটি অবাধে বেদখল কৰিছে ?

গোপাচাৰ আৰু বনাঞ্চল সমূহত চৰকাৰী মাটি-বাৰী অবাধে বেদখল চলি আছে, বেদখল কাৰী সকলৰ বেচিভাগেই মাটি থকা মানুহ, কিমান মানুহৰ সেই অঞ্চলত মাটি অতিৰিক্ত বা বেদখলকাৰী আছে বা মাটিহীন মানুহ আছে তাৰ কোনো হিচাব নাই। ইমান দিনে মাটিহীন মানুহৰ কোনো হিচাব চৰকাৰে বাহিৰ কৰিব পৰা নাই। জনসাধাৰণৰ এই দুৰ্ব্বল শ্ৰেণী মানুহৰ কোনো ফালেই উপায় নোহোৱা হৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি আজি জানে যে যত কৃষক শ্ৰেণী বাস কৰি আহিছে তাত চিকিৎসালয় বা চিকিৎসাৰ কাৰণে কোনো ব্যৱস্থা নাই। ২৫ ৩০ মাইল আতৰলৈ তেওঁলোকে চিকিৎসাৰ কাৰণে যাবলগীয়া হয়। তেওঁলোকে বিপদে আপদে জীৱন বন্ধু নামৰ এটা ঔষধ ব্যৱহাৰ কৰে, সেই ঔষধটোৰ একোবটলৰ দাম এটকা চাৰি অনা মান হব, সেই ঔষধটোৱে গাৱে ভূঞে চলাই থকা হৈছে আৰু তাকেই খাই গাৱলীয়া হোজা ৰাইজ সন্তুষ্ট। ডাক্তৰৰ মুখ তাত দেখিবলৈ নাই। মহকুমা ভিত্তিত একোটা ট্ৰেইনিং চেল কৰা হৈছিল, বিভিন্ন আঁচনি প্ৰস্তুত কৰিবৰ কাৰণে কমিটি পাতি দিয়া হ'ল কিন্তু তাৰ কোনো এটা কামো হোৱা নাই। মিনিমাম নিডৰ প্ৰোগ্ৰেমো চাকচেচফুলি হোৱা নাই।

বছৰ বছৰ ধৰি কেৱল ৰিভাইজদ এষ্টিমেট দিবলগীয়া হয়, কিন্তু সেইবোৰ ইম্প্লিমেণ্ট নহল, মাননীয় সদস্য চলিহা ডাঙৰীয়াই কোৱাৰ দৰে ২য় পঞ্চ বাৰ্ষিক পৰিকল্পনাত যিটো কাম লোৱা হৈছিল সেইবিলাক কাম এতিয়াও হোৱা নাই। আৰু যিবিলাক মাটি ১৯৫৫ চনৰে পৰা অধিগ্ৰহণ

কৰা হৈছিল সেই সকল খেতিয়কৰ মাটিৰ কম্পেনচেশ্যন এতিয়ালৈকে দি
নহল। বানপানীৰ সম্পৰ্কত যিবিলাক কথা কোৱা হৈছে তাত দে
যায় বিত্তমন্ত্ৰী ডাঙৰীয়াই বান-নিয়ন্ত্ৰণৰ কথা উল্লেখ কৰা নাই। ম
এটা কথা উল্লেখ কৰিছে যে চৰকাৰে আঁচনি ললে কেন্দ্ৰীয় চৰকা
টকা দিব পাৰে আকৌ দি অধিগ্ৰহণ কৰা মাটিৰ মূল্য উচিত সময়
দিব নোৱাৰে তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰে টকা দিব নোৱাৰে।

তাৰোপৰি কোনো কোনো সময়ত দিল্লীলৈ প্লেনিং কমিশ্যনক ল
ধৰিবলৈ যাওতে জানিব পাৰিছোঁ আমাৰ পৰা কোনো স্কিম যোৱা নাই
গতিকে কম্পেনচেচন যিমান সোনকালে পৰা যায় সিমান সোনকালে দিয়া
চেষ্টা কৰিব লাগে। তাৰোপৰি যোৱা ৫।৬ বছৰৰ ভিতৰত যিবিলা
ৰাস্তাপথুলি, মথাউৰি, বান্ধ ইত্যাদি নিৰ্মান কৰিবলৈ খেতিয়ক ৰাইজ
পৰা মাটি অধিগ্ৰহণ কৰা হৈছিল সেইবোৰ ভাঙি-চিঙি নাইকীয়া হ
ফলত জনসাধাৰণৰ দুখ কুশাই পাচিয়ে নধৰা হৈছে। তাৰোপৰি বানপা
নীয়ে গৰীব জনসাধাৰণৰ খেতিপথাৰ একেবাৰে উচন কৰি পেলাইছে। মথাউৰি
কালভাৰ্ট ইত্যাদি ভাল ধৰণে নিদিয়াৰ কাৰণে বেচিকৈ ক্ষতিগ্ৰস্ত হৈছে
ৰাস্তা ঘাট বোৰ বছৰি বছৰি মেৰামতি নকৰাৰ কাৰণে ৰাস্তাঘাটবো
একেবাৰে ভাঙি যোৱাৰ উপক্ৰম হৈছে। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ আজি সপোন
নিচিনা হ'ল, কেন্দ্ৰীয় চৰকাৰৰ পৰা এই সম্পৰ্কত কোনো সহাৰি পো
নগল। আজি ৰাজ্যিক চৰকাৰে জনসাধাৰণক জানিবলৈ দিয়া না
যে তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াব পৰা নাই। কিয়নো
কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা-পইচা আনিব নোৱাৰাৰ কাৰণেই আজি অসম
অৱস্থা এনেকুৱা হৈছে।

উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আজি দুখীয়া জনসাধা
ৰণৰ সংখ্যা দিনক দিনে বাঢ়ি যাব ধৰিছে আৰু এই অৱস্থা দিনক দি
বাঢ়ি যাব ধৰিছে, ই হয়তো অতি সোনকালে এটা বিৰাট বিপ্লৱৰ ৰূ
ধাৰণ কৰিব, মাননীয় মুখ্য মন্ত্ৰীয়ে বাজেট বক্তৃতাত উল্লেখ কৰা নাই
যে যোৱা বছৰ খেতি ভাল হোৱা স্বত্বেও আমাৰ ৰাজ্যতে ২০ হাজাৰ
মানুহে খাবলৈ নাপাই মৰিব লগীয়া হৈছিল। অহা বছৰ হয়তো আৰু
বেচি মানুহ খাবলৈ নাপাই মৃত্যুৰ মুখত পৰিব লগীয়া হব।

উপাধ্যক্ষ মহোদয়, উদ্যোগৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই, কেন্দ্ৰীয় চৰকাৰক এই সংক্ৰান্তত কোনো ধৰণে জোৰ দি ধৰা হোৱা নাই। মই গড়কপ্তানী আৰু বান নিয়ন্ত্ৰণৰ কথা কৈ আহিছোঁ যে কিছুমান কাম ই এণ্ড দি বিভাগে লৈছিল আৰু ১৯৫৫।৬৬ চনলৈ গড়কপ্তানী বিভাগে ললে। কিন্তু কিছুমান কাম এই দুয়ো বিভাগে নিজৰ কাম নহয় বুলি এনেয়ে পেলাই থলে, এই সংক্ৰান্তত মন্ত্ৰী মহোদয়ক কেবা বাৰো কোৱা হৈছিল কিন্তু দ্বিতীয় পৰিকল্পনাৰ কালচোৱাতো যদিও যথেষ্ট টকা-পইচা খৰচ কৰা হ'ল কিন্তু সেই ৰাস্তা ঘাটবোৰ সম্পূৰ্ণ কৰা নহল। ফলত জনসাধাৰণ বিষম অসুবিধাত পৰিল। আনকি ১৯৭৩ চনতো সেই কাম বিলাক হৈ নুঠিল। চাৰিআলিৰ সেই কাষৰ আলিটো সম্পূৰ্ণ জনজাতীয় লোকৰে পৰিবেষ্টিত, এই আলিটোৰ কাৰণে বহুবাৰ আবেদন নিবেদন কৰাৰ পিচত জানিবা কিছু মনকান কৰিছে।

উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰতো একেই অৱস্থা হৈছে, মানুহৰ খাবলৈ নাপাই হাঁহাকাৰৰ সৃষ্টি হৈছে, আজি যি সময়ত আমাৰ গাওঁ অঞ্চলত এই কৃষিৰ ক্ষেত্ৰতেই হওক বা আন উন্নয়ন মুখী কাম হওক তাত সমবায়ে এক প্ৰধান ভূমিকা লব লাগিছিল আৰু এই সমবায় সমিতি সমূহেই হ'ল গাওঁ এলেকাৰ কাৰণে নিতান্তই প্ৰয়োজন, গাঁৱৰ মানুহৰ যাৱতীয় সকলো বস্তুৰ বাবে সমবায় সমিতি সমূহে সহায় কৰিব পাৰে কিন্তু যিমান খিনি সহায় আগবঢ়াব লাগিছিল এই সমবায় সমিতি সমূহে সিমান খিনি আগ-বঢ়াব পৰা নাই। জনসাধাৰণক কোনো ধৰণৰ সুবিধা দিব পৰা নাই। সেইকাৰণে এই সমবায়ৰ প্ৰতি সকলোৰে আগ্ৰহ কমি গৈছে।

ধান সংগ্ৰহৰ নামত আমাৰ দুখীয়া খেতিয়কৰ ওপৰত নানা ভাবে জোৰ জুলুম চলি আছে অথচ সেই সকল খেতিয়কে কেতিয়াও কোৱা নাই যে তেওঁলোকে চৰকাৰক ধান নিদিয়ে কিন্তু যিবিলাক ধনী খেতিয়ক সেই সকলৰ পৰা হলে ধান সংগ্ৰহ কৰাতো অল্প টান হৈ পৰিছে। আজি আমি দেখিছোঁ যে বহুতো ঠাইত ধান ট্ৰাকত বোজাই কৰি চোৰাং কাৰবাৰ কৰা হৈছে, কেতিয়াবা ঘোৰাৰ পিঠিতো নিয়া দেখা যায় কিন্তু সেইবিলাক ভালদৰে ধৰণে চেক কৰাৰ কোনো ব্যৱস্থা দেখা নাই। প্ৰতিয়া দোকানবিলাকত ধনী খেতিয়ক সকলে ১০০ টকা কুইণ্টলত ধান বিক্ৰী

কৰিছে আৰু সস্তীয়া দোকানবিলাকত, চাউল দিয়া হোৱা নাই, সেই কাৰণে এই মানুহ বিলাকে ১০০ টকা ৯০ টকা কুইণ্টলত ধানকিনিছে. এই অঞ্চলত ধান কিনাবেচা চলি আছে। তাবোপৰি সেই অঞ্চলত থকা মানুহবোৰৰ নিজৰ স্থায়ী মাটি নাই গতিকে তেওঁলোকে কেনেকৈ মাটিত শস্য উৎপাদন কৰিব আৰু যিবা এক কঠা মাটি দিয়া হৈছে তাৰ পৰা কি ব্যৱস্থা হব-পাৰে সেইটো চিন্তাৰ বিষয় হৈ পৰিছে। ইৰিগেশ্যনৰ কথা কওঁ, ১৯৭২।৭৩ চনতেই টেণ্ডাৰ কল কৰা হৈছিল তাৰ পাচত ১৯৭৪ চনত মন্ত্রীমহোদয়ে প্রতিশ্রুতি দিছিল, কিন্তু তাৰ পাচতো ১৯৭৫-৭৬ চনতো সেই কাম বিলাকে বাজেটত স্থান নাপালে। সেই ঠাইবিলাকত এতিয়াও কাম হৈ নুঠিল। ছয়দুৱাৰ ব্লকত যিটো আঁচনি লোৱা কথা আছিল তাত কেৰা জনো মন্ত্রীয়ে গৈ চাই অহা স্বত্বেও তাত কাম হৈ নুঠিল। অথচ সেই স্কিমটো বেচ গুৰুত্বপূর্ণ স্কিম আছিল।

তাৰ পিচত ধান সংগ্রহৰ ক্ষেত্রত যি সামুকীয়া গতি দেখা গৈছে তাৰ দ্বাৰা যে ৰাজ্যিক চৰকাৰৰ যিটো টাৰগেট সেইটো পাব পাৰিব তাত আমাৰ সন্দেহ হয়। ২১ লাখ কুইণ্টলৰ ভিতৰত মাত্র ১২ লাখ কুইণ্টলহে সংগ্রহ কৰিব পৰা হৈছে। এই হ'ল ধান সংগ্রহৰ ব্যৱস্থা। ধানৰ কুইণ্টলে প্রতি যদি ৭৫ টকা হয় তেতিয়া হলে তাৰ দাম ১০০ টকা পৰিবগৈ। উপাধ্যক্ষ মহোদয়, তাৰ পাচত মই প্লেনিং চেলচৰ কথা কওঁ, গাওঁ পঞ্চায়ত বা মৌজা বা চাব-ডিভিজনৰ যিবিলাক এনেকুৱা অনু-যায়ী কাম আছে সেইবিলাক কার্য্যকৰী কৰিবৰ কাৰণে তেওঁলোকক সুবিধা দিব লাগে। তাৰোপৰি এই গাওঁপঞ্চায়তৰ যি সকল চাকৰিয়াল আছে তেওঁলোকৰ দা-দৰ্মহাৰ কথা চিন্তা কৰিবৰ এটা ভাল ব্যৱস্থা কৰিব লাগে।

তাৰ পাচত বিজুলী শক্তি যোগান ধৰাতো চৰকাৰে আগবাঢ়িব পৰা নাই, অইন অইন প্রদেশত বিজুলী শক্তি খেতি-পথাৰ সমূহত প্রয়োগ কৰা হৈছে কিন্তু আমাৰ ইয়াত খেতি পথাৰ সমূহত যোগান দিয়া দূৰৰ কথা আমাৰ গাওঁ সমূহলৈ বিজুলি যোগান দিব পৰা নাই। কেৱল কিছুমান খুটা হাত পুতি থৈছে। মুঠতে যেতিয়ালৈকে আমাৰ খেতিপথাৰ সমূহত আমি বিজুলি শক্তি যোগান ধৰিব নোৱাৰো তেতিয়ালৈকে আমাৰ ইৰিগেশ্যনৰ দ্বাৰা খেতিপথাৰ সমূহত

অধিক শষ্য উৎপাদন কৰিব নোৱাৰিম ।

অধ্যক্ষ মহোদয়, চৰকাৰে বাজেটত হওক বা ৰাজ্যপালৰ ভাষণতেই হওক নানা ৰকমৰ আঁচনি লৈছে কিন্তু এই আঁচনিবিলাক এতিয়াও কাৰ্য্যকৰী হোৱা নাই । মোৰ সমষ্টিতে ১০ হাজাৰ মানুহ আছে তাতে এটা হেলঠ্ চাব চেণ্টাৰ হব বুলি কৈছিল, কিন্তু এতিয়ালৈকে একো নহ'ল । পানী যোগানৰ ক্ষেত্ৰতো একেই কথা । আজি খোৱা পানীৰ অভাৱত মানুহৰ অৱস্থা কাহিল হৈছে । সেই বিলাক ঠাইত পকী নাদৰ বা টিউবওৱেলৰ ব্যৱস্থা নাই । গতিকে মানুহে বোকা পানাকে খাই থাকিব লগা হৈছে । যি চৰকাৰে ৰাইজৰ দুখ কষ্ট লাঘবৰ কাৰণে একো কৰি দিব নোৱাৰে সেই চৰকাৰে কেতিয়াও জনসাধাৰণৰ ওচৰত প্ৰিয় হব নোৱাৰে । আজি ৫।৬ বছৰৰ আগতে যিবিলাক আঁচনি লৈছে সেইবিলাক আজিলৈকে কাৰ্য্যকৰী হোৱা নাই । সেই আঁচনিবিলাক মামৰে ধৰিছে । কলিয়াবৰতো যি জলসিঞ্চনৰ আঁচনি লৈছে সেইটো আজিলৈকে কৃতকাৰ্য্য কৰিব নোৱাৰিলে কাৰণ তাত মাটি অধিগ্ৰহণ কৰিব নোৱাৰিলে । চৰকাৰে যিবিলাক লিফট ইৰিগেচন কৰিব বুলি লৈছিল সেইবিলাকো কৰিব পৰা নাই । বৰগাওঁৰ লিফট ইৰিগেচন কৰিব বুলি ৬ জন চাকৰিয়ালক আজি ২ বছৰে দৰমহা দি ৰখা হৈছে । ইয়াৰোপৰি উক্ত অঞ্চলত যিবিলাক জংঘল আছে, সেইবিলাক আজি মানুহে কাটি তাত বেদখল আৰম্ভ কৰিছে । গতিকে চৰকাৰে যিবিলাক বান বিধ্বস্থ মানুহ, সেই মানুহবিলাকক ইয়াতে বসতি দিব পাৰিলে হয় । আজি চইল কনজাৰভেচন বিভাগে ভূমি সংৰক্ষনৰ ক্ষেত্ৰত একো কৰিব পৰা নাই । বুৰৈ নদীৰ ওচৰত যিবিলাক প্লেন টচন কৰা হৈছে তাতো চৰকাৰ কৃতকাৰ্য্য হব পৰা নাই ।

মহোদয়, মই এতিয়া শিক্ষাৰ শিতানত কেইটামান কথা কবলৈ বিচাৰো । ইয়াৰ বাহিৰেও শ্ৰীকৰ্মকাৰ ডাঙৰীয়াই শ্ৰমিকৰ শিক্ষাৰ কথা কৈ আহিছে । আজি যিবিলাক মানুহ হাবিয়ে জংঘলে আছে সেইবিলাক মানুহৰ শিক্ষাৰ কোনো উন্নতি হোৱা নাই । আজি বিশেষকৈ চিদিউল কাষ্ট, চিদিউল ট্ৰাইব আৰু অ, বি, চিৰ মানুহবিলাকৰো শিক্ষাৰ ক্ষেত্ৰত উন্নতি হোৱা নাই । গতিকে এই সকলোবিলাকৰ উন্নতিৰ কাৰণে চেষ্টা কৰিব লাগে । ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো ।

শ্ৰীসুৰেণ দাস—মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে ১৯৭৫-৭৬ চনৰ কাৰণে যি বাজেট দাখিল কৰিছে সেই বাজেটত বাহি দেখুউৱা হৈছে অৱশ্যে সুখৰ কথা যে, এই বাজেটত কোনো ৰকমৰ কৰ কাটল লগোৱা হোৱা নাই। মহোদয়, আমি দেখিবলৈ পাইছো যে, আমাৰ দেশৰ শতকৰা ৯০ জন মানুহে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে চৰকাৰে আমাৰ দেশৰ খেতিৰ উৎপাদন কেনেকৈ বঢ়িব তাৰ কাৰণে মনোযোগ দিব লাগে। অৱশ্যে চৰকাৰে লিফট ইৰিগেচনৰ বা অন্য ৰকমে পানী যোগান দি কেনেকৈ খেতি বঢ়াব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিব লাগে। আজি ৫০ হাজাৰ মাটি সম্প্ৰসাৰণ কৰি জলসিঞ্চনৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কিন্তু দুখৰ বিষয় যে, আমাৰ অসমত প্ৰাকৃতিক দুৰ্যোগ প্ৰতি বছৰে লাগিয়েই আছে। অসম প্ৰকৃতিৰ লীলাভূমি। গতিকে অসমে সদায়ে বৰষুণৰ কাৰণে বতৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। গতিকে বৰষুণ নহলে বা খৰাং বতৰৰ কাৰণে বাইজৰ আশা নিস্ফল হৈ যায়। গতিকে আমাৰ চৰকাৰে কৃষিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগে। আজি যদিও চৰকাৰে নানা ধৰণৰ আচনি কৰিছে সেই আচনিবিলাক কৃতকাৰ্য্য কৰিব নোৱাৰা কাৰণেই আমাৰ উৎপাদন দিনক দিনে কমি গৈছে।

কিন্তু অধ্যক্ষ মহোদয়, এই বিলাক ঠিক মতে কৰিব পৰা নাই। আমাৰ কামৰূপ জিলাত সৰিয়হৰ খেতি ভাল হৈছে। উত্তৰ অঞ্চলত সৰিয়হৰ খেতি ভাল হৈছে। প্ৰায় দুই হাজাৰ বিঘা মান মাটিত খেতি ভাল হৈছে যদিও দেখাত সুন্দৰ ফুল ফুটিছে যদিও পানী নাপালে কাৰণে ধ্বংস প্ৰাপ্ত হৈ গল। মলিন হৈ গল সেই ফুল বিলাক। গতিকে মই ভাবো তাত আমি যি হাজাৰ হাজাৰ মোন সৰিয়হ আশা কৰিছিলো সেই বিলাক নষ্ট হৈ গল। সেই কাৰণে খেতিয়কসকলে যাতে শস্য ঠিকমতে উৎপাদন কৰিব পাৰে তালৈ চাব লাগিব। ৰবিশস্য সৰিয়হ যাৰ পৰা মিঠাতেল হয় সেই বাবে আমি আশা কৰিব পাৰিলোহেতেন যে মিঠাতেলৰদাম অলপ কমিব কিন্তু সেইটো হৈ নুঠিল কেৱল পানীৰ অভাৱৰ কাৰণেই। আজি আমাৰ দেশখনৰ বহুতো ঠাইতেই এই অসু-

—

বিধা, আহুকাল হৈ আছে । কৃষি বিভাগৰ পৰা বিশেষ ব্যৱস্থা লৈ ইয়াৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰাহেতেন নিশ্চয় সুফল পালোহেতেন। আৰু মই ভাবো সেইটো কৰা হলে আমাৰ খেতিয়ক সকলো সৰিয়হ উৎপাদন কৰাৰ ক্ষেত্রত উপকৃত হব। কিন্তু দুখীয়া খেতিয়কৰ সেই আশা মষিমুৰ হল। এই ক্ষেত্রত কৃষি বিভাগ সক্ষম থাকিব লাগে। উন্নয়ন খণ্ডত বা কৃষিৰ সম্প্রসাৰণৰ যি ব্যৱস্থা হৈছে সেই উন্নয়ন খণ্ডৰ যোগেদি সি নিৰাশাজনক। কেৱল মানুহখিনিক দৰমহা দি পুহি ৰখাৰ বাহিৰে একো কাম হোৱা নাই। মহকুমা পৰিষদ গঠন কৰা হয় আৰু আঞ্চলিক পঞ্চায়ত আৰু গাওঁপঞ্চায়তৰ যোগেদি যি ধৰণে কাম কৰিবলৈ খোজা হৈছে, দেখা গৈছে যে এই বিলাকৰ কার্য্যালয় ঘৰবিলাক বৰ বেয়া হৈ গৈছে। বিশেষ কৈ গাওঁপঞ্চায়তৰ কার্য্যালয় বিলাক জহি খহি গৈছে। ইয়াৰ কাৰণে মহকুমা পৰিষদৰ যোগেদি ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাওঁ। এই বিলাক ঠিক মতে থাকিলে কৃষক সকলৰ উপকাৰত আহিলহেতেন। মই এই কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো।

উপাধ্যক্ষ মহোদয়, অসমত মজলীয়া ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা প্লেনিং কমিচনে মঞ্জুৰ কৰিছে। আৰু ৰাজ্যিক চৰকাৰে হাতত লৈছে কাৰণে মই সন্তোষ প্ৰকাশ কৰিছো। বিশেষকৈ ডেকাদল আৰু মৰাপাগলাদিয়াত ৰাজ্যিক চৰকাৰে জলসিঞ্চন ব্যৱস্থা গ্ৰহণ কৰিলে নিশ্চয় তাৰ দ্বাৰা বানপানীও নিয়ন্ত্ৰিত হব আৰু কৃষক সকলকো পানী যোগান ধৰিব পৰা হব। আজি ধান সংগ্ৰহৰ ক্ষেত্ৰত নলবাৰী মহকুমাৰ বিশেষকৈ বৰমা সমষ্টিৰ পৰা বহুতো সংগ্ৰহ কৰা হৈছে। তাৰগেট যি আছিল তাৰ প্ৰায়েই ওচৰ চাপিছে। শতকৰা পয়সত্তৰ ভাগ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। কিন্তু সেই পানীৰ ব্যৱস্থা ৰাইজে নিজে নিজেই কৰিছিল। ৰাইজে পাহাৰৰ পৰা জান আদি খান্দি আনি খেতিত ব্যৱহাৰ কৰিছে। মাননীয় সদস্য আৰু ৰাজহ মন্ত্ৰী যাওঁতে ৰাইজে জান-নলা খান্দি পানী অনা ব্যৱস্থাত তেওঁলোকক সহায় কৰিবলৈ দৰ্খাস্ত দিছিল। স্কুল ঘৰ আদিৰ কাৰণে সেই অঞ্চলৰ পৰা দৰ্খাস্ত বা আবেদন কৰা নাছিল। পানীৰ সু-বন্দোবস্ত কৰাৰ কাৰণেহে আবেদন কৰিছিল। গতিকে মই মৰা পাগলাদিয়াৰ

—

নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি তাৰদ্বাৰা পানী যোগান ব্যৱস্থা কৰিবলৈ চৰকাৰৰ দৃষ্টি গোচৰ কৰিলোঁ। নেচনেল হাইওৱেৰে যি ৰাস্তাৰে পশ্চিম বঙ্গ আৰু কলিকতাৰ পৰা আমাৰ দেশলৈ খাদ্য বস্তু সৰবৰাহ কৰা হয় সেই ঠাইত পানীৰ কাৰণে আহুকালৰ সৃষ্টি হয় গতিকে এই ব্যৱস্থা কৰিলে এহাতে পানী যোগান হব আৰু আনহাতে বানপানীৰ পৰা খেতিয়কৰ ৰাইজৰ লগতে অসমৰ ৰাইজো নিশ্চিন্ত হব পাৰিব।

উপাধ্যক্ষ মহোদয়, জনস্বাস্থ্য বিভাগৰ কথা কেইটামান মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। ডাক্তৰখানা বা হস্পিটালৰ কথাও নহয়। খোৱা পানীৰ কথা। এনেকুৱা ঠাই আছে য'ত কুঁৱা নহয়, ওৱেল নহয়, ডিপওৱেল নহয় টিউবওৱেল নহয় তেনে ঠাইত পানী টোপা খোৱাৰ কাৰণে মানুহে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছে। বৰ্কি এৰিয়া বুলি পানী উলিয়াব পৰা নাই কোনো ঠাইত ১৫০ ফুট পৰ্য্যন্ত খান্দি পানী উলিয়াব পৰা নাই। কুঁৱাত পৰি মানুহো মৰিছে। ৰাইজে জুৰী জানৰ পৰা কষ্ট কৰি পানী আনি খাই আছে। ৰিজাৰ্ভাৰ বা টেংক কৰি লৈছে নিজে নিজে। গতিকে জনস্বাস্থ্য বিভাগৰ পৰা তাত অতি শীঘ্ৰে ব্যৱস্থা লবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। ভুটান পাহাৰৰ নামনিত গুৱনখাটা অঞ্চলত পানীৰ যোগান ধৰিবলৈ বিশেষকৈ তিনি-চাৰি মাহ ধৰি যেতিয়া ফাগুন চ'ত মাহ পৰে তেতিয়া ওপৰৰ পৰা জানৰ পৰা কলহত পানী ভৰাই লৈ আনি খাব লগীয়া হয়। ওঠৰ জানুৱাৰী তাৰিখে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া যাওঁতেও তেওঁলোকে এই আপত্তি কৰিছিল যে পানী টোপাৰ ব্যৱস্থা কৰি দিব লাগে। চিমেণ্ট পাবলৈ নাই। নিজেই ৰিজাৰ্ভাৰ তৈয়াৰ কৰি লৈছে। অফিচাৰ সকলেও বৰ্কি এৰিয়া বুলি কয়। গতিকে বাস্তৱিকতে আহুকালৰ সৃষ্টি হৈছে। সেই মানুহ খিনিক খোৱা পানীৰ ব্যৱস্থা কৰি দিব লাগে।

উপাধ্যক্ষ—কিমান সময় লাগিব আপোনাক ?

শ্ৰীসুৰেণ দাস—আৰু অলপ সময় লাগিব। ৰাজ্যপালৰ ভাষণতো কবলৈ নাপালোঁ।

উপাধ্যক্ষ—আৰু দুই মিনিট ক'লেই। এতিয়া থাওক পিচত কব।

## ADJOURNMENT

Mr. Dy. Speaker—The House now stands adjourned till **10 a. m.** on Monday the **10th** March, **1975.**

( The House rose at 5 p. m. )

Shri P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 8th March, 1975.